Year of Publication 1908

HANUMAN BUX KANOI LIBRARY
No.........
Date.........
DIBRUGARH

# দক্ষ-যজ্ঞ ।

শ্ৰীবেণুধৰ ৰাজখোৱা, বি-এ,
দ্বাৰা ৰচিত ।

Data Entered

[illegible]লদৈ ।

প্ৰথম ভাঙ্গৰণ ।

কলিকাতা,
৬নং কলেজ-স্কোয়াৰ, সাম্য-যন্ত্ৰত,
সেখ আবদুল লতিফ দ্বাৰা মুদ্ৰিত ও
প্ৰকাশিত ।

১৯০৮ ।

বেচ আধলি মাথোন ।

# দক্ষ-যজ্ঞ।

SAHIB HANUMAN BUX KANOI LIBRARY
No. A 271
Date 7 ...
DIBRUGARH COLLEGE.

শ্ৰীবেণুধৰ ৰাজখোৱা, বি-এ,

দ্বাৰা ৰচিত।

মঙ্গলদৈ।

প্ৰথম তাঙ্গৰণ।

CALL NO 891.452
RAJ
*A-271*

কলিকাতা,

৬নং কলেজ-স্কোয়াৰ, সাম্য-যন্ত্ৰত,

সেথ আবদুল লতিফ দ্বাৰা মুদ্ৰিত ও

প্ৰকাশিত।

RAISAHIB HANUMAN BUX KANOI LIBRARY
No.............
Date.............
DIBRUGARH COLLEGE.

# পাতনি।

এই পুথিখনি শিৱসাগৰত থাকোঁতে, ১৯০৪ চনত লিখা হৈছিল। তেতিয়াৰেপৰা ছপাবৰ চল নোহোৱাত পৰি অছিল। সম্প্ৰতি ৰাইজৰ আগত দাঙ্গি ধৰিবলৈ আগ বাঢ়িলোঁ। যদি কোনোৱে ভাষা সম্বন্ধে কিবা কথা সোধে, পুথি-লিখা বছৰেই প্ৰশ্নৰ উত্তৰ দিব। অহা তাঙ্গৰণত সেই বিষয়ে চকু দিবলৈ গাত লোৱা হল, এতিয়া ৰাথোন ইয়াকে কৈ থলেই হব। আজৰি নথকাত বৰ্ত্তমান একো কৰিব নোৱাৰিলোঁ।

মঙ্গলদৈ
১৯০৮ চন, ১৫ জানুৱাৰি।

শ্ৰীবেনুধৰ ৰাজখোৱা।

# দক্ষ-যজ্ঞ।

## প্ৰথম অঙ্ক।

### প্ৰথম দৰ্শন। দক্ষ ৰাজাৰ সভা।

( দক্ষ, মন্ত্ৰী, সভাসদ্‌বৰ্গ উপবিষ্ট )।

দক্ষ।—এটি গুৰুতৰ বিষয়ে আজি মই তোমালোকেৰে সৈতে পৰামৰ্শ কৰিব খোঁজো। তোমালোকে সদ্‌পৰামৰ্শ দি মোৰ বুকুৰ শেল উভালিব লাগে।

মন্ত্ৰী।—মহাৰাজ, আপোনাৰ ইঙ্গিততে অনেক অনেক মহৎ ব্যাপাৰ সংঘটিত হব লাগিছে। কি এনে বিষয় আছে, যাক আপুনি হেন মহাপুৰুষে কৰিব নোৱাৰে। আমি ইমান বিলাক আপোনাৰ আজ্ঞানুবৰ্ত্তী থাকোঁতে আপোনাৰ মনত কিহৰ দুখ হব পাৰে। হে প্ৰজাপতি, আপোনাৰ কথা শুনি দৰাচলে মই বৰ আচৰিত মানিছোঁ। আপোনাৰ কি কৰ লগিয়া আছে, শীঘ্ৰে

কওক। আমি প্ৰাণটাকি আপোনাৰ আদেশ প্ৰতিপালনৰ চেষ্টা কৰিম।

দক্ষ।—ত্ৰিদশ দেৱতাৰ কল্যাণাকাঙ্ক্ষী মহাযজ্ঞত মই উপস্থিত হোৱা মাত্ৰে সভাস্থলীৰ সকলোৱে উঠি মোক সম্ভ্ৰম কৰিলে, কিন্তু শিৱই আন কি আসন পৰিত্যাগ নকৰিলে। ইয়াত্‌কৈ আৰু দুখৰ বিষয় কি হব পাৰে?

মন্ত্ৰী।—ৰাজন, যদি সেয়ে হয় তেনেহলে বেজাৰ কৰিবৰ নিমিত্তে আপোনাৰ সম্পূৰ্ণ অধিকাৰ আছে। আপুনি সকলো প্ৰকাৰেৰে শিৱতকৈ শ্ৰেষ্ঠ। আপোনাৰ প্ৰতি শিৱৰ এনে দুৰ্ব্ব্যৱহাৰ কস্মিন্‌ কালেও উপেক্ষণীয় নহয়।

দক্ষ।—কোৱা মন্ত্ৰী, তেনেহলে এতিয়া আমাৰ কি উপায় আছে। প্ৰতিহিংসা জুইয়ে মোক পুৰি দেই মাৰিব লাগিছে। হে মতি- মান্‌, অপমানতকৈ মৃত্যু শতগুণে শ্ৰেয়ঃ

মন্ত্ৰী।—সভাসদ্‌ সকল, তোমালোকে কোৱাঁছোন, কি উপায় অৱ- লম্বন কৰিলে মহাৰাজাৰ অপমানৰ প্ৰকৃত প্ৰতিশোধ লোৱা হব।

১ম সভাসদ্‌।—শিৱক অনাচাৰী বুলি ত্ৰিভুবনে জানে। তেওঁ বাহিৰত সাধু বোলাই ফুৰে, কিন্তু ভিতৰি জঘন্য কাৰ্য্য কৰিবলৈও কুণ্ঠিত নহয়। তেওঁ অমাবস্যা ৰাতি খেৰেচ ভূত পিশাচ বিলাকেৰে সৈতে নাঙঠ হৈ শ্মশানশালিত অতি বীভৎস নৃত্য কৰে। মহাৰাজ, কোনো গুৰুতৰ বিষয়ৰ ফাঁকতি কৰি, আপুনি আৰু মহাৰাণী যদি হঠাৎ কোনোৱে গম নোপোৱাকৈ সেই ঠাইত উপস্থিত হয় গৈ আৰু সেই মুহূৰ্ত্তত পূৰ্ণকলাবিশিষ্ট হৈ চন্দ্ৰ দেৱতাক আকাশত

আবিৰ্ভূত হবলৈ আজ্ঞা দিয়ে, তেনেহলে ভাবি চাওক অপমানত শিৱ মৰণান্তিক নহবনে।

২য় সভাসদ্।—হে ৰাজশ্ৰেষ্ঠ, বিষ্ণু আপোনাৰ পৰম সুহৃদ্। ব্ৰহ্মা, বিষ্ণু, শিৱ তিনিওকো এ দিন কোনো কাৰ্য্যোপলক্ষে নিমন্ত্ৰণ কৰক। বিষ্ণুৰ বাহন গৰুড়-পক্ষীক দেখা মাত্ৰে শিৱৰ কঁকালৰ টঙ্গালি সৰ্পৰাজ উৰ্দ্ধশ্বাসে পলায়ন কৰিব। তেতিয়া বাঘ ছালৰ কৌপীন খহি পৰিব। বাঘছাল দেখা মাত্ৰে তেওঁৰ বলদটিয়ে ভিৰাই ধৰি লৰ মাৰিব। তেতিয়া তেওঁ উলঙ্গঠ হৈ চাঁচ কৰে মাটিত পৰিব। মহাৰাজ, শিৱই এনে অপমান ক'ত থব!

৩য় সভাসদ্।—হে প্ৰজাপতি, শিৱ জিতেন্দ্ৰীয় বুলি প্ৰখ্যাত। আপুনি বহুমায়ী বিষ্ণুক অনুৰোধ কৰক, তেওঁ যেন অনুপম জগন্তাসন মোহিনীৰূপ ধাৰণ কৰি যোগীবৰ শিৱক মদন-বিহ্বল কৰে। তেতিয়া তেওঁ নিতান্ত বহুবিধ কাম চেষ্টা প্ৰকাশ কৰিব। তেনেতে বিষ্ণু অন্তৰ্হিত হৈ তেওঁৰ চৈতন্য উৎপাদন কৰিব। তেতিয়া শিৱৰ যি অপমান বোধ হব, মহাৰাজ, তাৰ তুলনা নহব।

মন্ত্ৰী।—হে ৰাজন, মোৰ মনেৰে এই বিলাক এটিও প্ৰতিহিংসাৰ প্ৰকৃষ্ট উপায় নহয়। শিৱই শ্মশানত নাচি ফুৰে, সঁচা কথা, কিন্তু তেওঁ চুৰ কৰি এই কাৰ্য্য নকৰে—শ্মশানশলিলৈ আন কোনো লোকৰ যাবৰ বাধা নাই—আন কোনো লোকে সেই নাচ দেখিলে কেতিয়াও তেওঁ তাত অপমান বোধ নকৰে। আৰু শিৱৰ গাৰ ভস্ম-ধূলি পৰি তেওঁৰ সাপৰ চকুত নিশ্চয় দোষ ঘটিছে—গৰুৰ-পক্ষী দেখি সি কেতিয়াও নপলায়। তৃতীয়

উপায়টিৰ বিষয়ে কবলগীয়া কথা মোৰ এয়ে আছে, যে দেৱাগ্রগণ্য ভগবান্ বিষ্ণুৱে স্বয়ং মোহিনীৰূপ ধৰি তেওঁক বিমুগ্ধ কৰিব, তাত আৰু তেওঁৰ অপমান কি ?

দক্ষ।—মন্ত্রী, কোৱাঁচোন, তোমাৰ মনেৰে বিশিষ্ট উপায় কি?

মন্ত্রী।—হে দেৱপতি, কোনো উৎসবোপলক্ষে এটি নৃত্য-ক্রিয়াৰ অনুষ্ঠান কৰক। তালৈকে সকলো দেৱতাক নিমন্ত্রণ কৰক। অপ্সৰীবিলাকে দিব্য বেশ-ভূষাৰে নাচ কৰিব। আনন্দ-মণ্ডপ মনোহৰ লতা-পুষ্পেৰে সুসজ্জিত হব স্বয়ং ৰতি আৰু মদন উপস্থিত থাকি কামভাব সঞ্চালন কৰিব। মৃদু বায়ু বলি থাকিব। আকাশত পূর্ণচন্দ্রৰ প্রকাশ হব। শিৱক অতিশয় সমাদৰ কৰিব লাগে। তেওঁ বহিবৰ নিমিত্তে সাগৰ ফেনৰ নিচিনা কোমল আসন দিব লাগে। দুপিনে দুজনা পৰি থিয় হৈ চন্দনৰ বিচনীৰে বিচি থাকিব। গন্ধর্ব্বৰ সুললিত বাদ্যধ্বনি কর্ণকুহৰ ভেদ কৰি মর্ম্মস্থান অধিকাৰ কৰিব। নাচোনৰ উশাহত অপ্সৰীৰ পিন্ধা কাপোৰ উৰিবলৈ ধৰি অঙ্গ-লাৱণ্য বিজুলী চমকৰ দৰে গোটেই ঠাই পোহৰ কৰিব। এনে অৱস্থাত মহাযোগী শঙ্কৰৰো ধৈর্য্যচ্যুতি ঘটিব—তাত কোনো সন্দেহ নাই। সেই সময়ত কাম চেষ্টা প্রকাশ কৰিলে, তেওঁ দেৱ সমাজৰ অতীব হাস্যাস্পদ হব। তেতিয়া তেওঁৰ পক্ষে বহুগর্ব্বী 'জিতেন্দ্রীয়' নাম কেৱল ঘৃণা ব্যঞ্জক গালি হব।

দক্ষ।—মন্ত্রীবৰ, তোমাৰ বুদ্ধি প্রশংসনীয় বুলিব লাগে। কিন্তু যদি সিমানতো শিৱ বিচলিত নহয়, তেতিয়া আমাৰ সকলো চেষ্টা পণ্ড হব। মই প্রতিহিংসাৰ এটি উপায় ভাবি উলিয়াইছোঁ—কিমান কার্য্যকৰ হব, কব পৰা নাই। মই ভাবিছোঁ, শিৱই

SAHIB HANUMAN BUX KANOI LIBRARY
No.........
Date.........

যেনেকৈ অসংখ্য লোকৰ আগত যজ্ঞস্থলত মোক অপমান কৰিলে, ময়ো তেনেকৈ মহাযজ্ঞ পাতি ততোধিক তেওঁৰ অপমান কৰিম। যজ্ঞলৈ স্বৰ্গ মৰ্ত্ত্য পাতাল ত্ৰিভুবনবাসীক নিমন্ত্ৰণ কৰিম—কেৱল শিৱক নিমন্ত্ৰণ নকৰোঁ।

সভাসদবৰ্গ।—মহাৰাজ, আমাৰ মনেৰে ইয়াতেকৈ আৰু ভাল উপায় হব নোৱাৰে।

মন্ত্ৰী।—এয়ে বিশিষ্ট উপায়। এতেকে, হে ৰাজন, আপুনি শিৱহীন যজ্ঞৰ আয়োজন কৰক।

(গান গাই গাই নাৰদৰ প্ৰবেশ।)

নাৰদ।—

ৰাগিণী খাম্বাজ—তাল একতালা।

জয় জগ-তাৰণ, জগত-জীৱন, জগদীশ জগ-মোহন হে।
তুমি পৰাৎপৰ, পৰম-ঈশ্বৰ, পৰমাত্মা পৰ-কাৰণ হে।
বিশ্ব-বিয়াপক, বিভূতি-নায়ক, বিপদ ভয়-বাৰণ হে।
তুমি দেবোত্তম, সত্ব ৰজতম, গুণগণ অবলম্বন হে॥

দক্ষ।—দেবৰ্ষি মোৰ বৰ ভাগ্য, তুমি এনে সময়ত আহি উপস্থিত হলাহি। তোমাক এটি কামৰ ভাৰ দিওঁ, আশা কৰোঁ তুমি অলপ কষ্ট স্বীকাৰ কৰি মোৰ অনুৰোধ ৰক্ষা কৰিবা। বোপা, দেৱ যজ্ঞত শিৱই মোৰ যি অপমাননা কৰিলে, তাৰ প্ৰতিশোধ লবৰ নিমিত্তে মই এটি শিৱহীন যজ্ঞ পাতিছোঁ। শিৱত বাজে ত্ৰিভুবন বাসীক সেই যজ্ঞলৈ নিমন্ত্ৰণ কৰিম। তুমি অনুগ্ৰহ কৰি সকলোকে নিমন্ত্ৰণ কৰিবগৈ লাগে। তোমাত বাজে এনে গুৰুতৰ বিষয় সম্পাদন কৰোঁতা আৰু আন কোনো নাই।

নাৰদ।—আপোনাৰ আজ্ঞা অৱশ্যে মই প্ৰতিপালন কৰিম। কিন্তু, হে

ৰাজন্, শিৱহীন যজ্ঞৰ নাম শুনি মোৰ মন বিচলিত হৈছে। পৰাক্ৰান্ত প্ৰমথাধিপতি শিৱক অপমান কৰিলে কিজানি অমঙ্গল ঘটে, মোৰ মনত এনে আশঙ্কাই ঠাই পাইছে। বিশেষকৈ তেওঁ যজ্ঞেশ্বৰ, তেওঁ নহলে আপোনাৰ যজ্ঞ ফল অসম্পূৰ্ণ হব। তেওঁ আপোনাৰ জোৱাঁই হয়, তেওঁক নিমন্ত্ৰণ নকৰাটো প্ৰশংসনীয় কাৰ্য্য নহব। এনে মহোৎসৱত আপোনাৰ কন্যা সতী নাহিলে মহাৰাণী মৰ্ম্মাহতা হব। মহাৰাজ, এই যজ্ঞৰ দ্বাৰা শিৱৰ হানি হব পাৰে, কিন্তু আপোনাৰ হানি ততোধিক হব। নিজৰ জীয়েক আৰু জোৱাঁয়েকক অপমান কৰাত আপোনাৰ একো যশস্যা নাই। মান-ৰক্ষাৰ নিমিত্তে কুটুম্বৰ আৱশ্যকতা, শিৱই অপমান কৰাৰ বাবে আপুনিও তেওঁক অপমান কৰিব এইটি প্ৰশস্ত হৃদয়ৰ কাম নহয়। হিংসাৰ প্ৰকৃত প্ৰতিশোধ ধৈৰ্য্য, ক্ষমা আৰু প্ৰেম। নহলে এদিন অকলে শিৱক আপোনাৰ অপমানৰ বিষয় ভাঙ্গি কব, আৰু আৱশ্যক হলে ভৰ্ৎসনাও কৰিব কিন্তু এই দৰে ত্ৰিভুবনবাসীৰ আগত তেওঁক অপমান নকৰিব। তেওঁক সকলো বিৱৰণ জানিবলৈ দিলে, তেওঁ কোনো উপায়েৰে ত্ৰিভুবনবাসীৰ আগত আপোনাক বিশিষ্ট সম্মান পুনৰ প্ৰতিপন্ন কৰিব পাৰে। মহাৰাজ, ধ্ৰুৱপ বুজিব, শিৱই ইচ্ছা কৰি আপোনাক অপমান দিয়া নাই। তেওঁ কেতিয়াও নেজানিছিল যে সেই কাৰ্য্যৰ দ্বাৰা আপোনাৰ অপমান হব।

দক্ষ।—নাৰদ, মই সকলো বুজিছোঁ। এই বিষয়ে তুমি আৰু একো কব নেলাগে। মই ভাল কৈ জানো, শিৱই মোক জানি-শুনি অপমান দিছে। যি যেনে কাৰ্য্য কৰে, সি তাৰ ফলভোগ

কৰিব। তাত মোৰ কি দোষ হব? যি নিজৰ মান-ৰক্ষাৰ নিমিত্তে পৰিযত্ন নকৰিব, তাৰ জীৱন তৃণবৎ-তুচ্ছ। আত্ম-সম্মান অক্ষুণ্ণ ৰাখিব নোৱাৰিলে প্ৰণধাৰণ মিছা। সমাজ-বিধি সৰ্ব্বতোমুখী হব লাগে—কুটুম্ব বুলি মই শিৱৰ দোষ কেতিয়াও ক্ষমা কৰিব নোৱাৰোঁ। কুটুম্বৰ প্ৰতিও দোষৰ সমুচিত দণ্ড-বিধান কৰাটো ধীৰোচিত কাৰ্য্য। মই দৃঢ়সঙ্কল্প কৰিছোঁ, শিৱহীন যজ্ঞ পাতিম, ব্ৰহ্মা বিষ্ণু ইন্দ্ৰ আদি সমুদায় দেৱতা মোৰ সহায় থাকোঁতে, প্ৰেতাধিপতি শিৱৰ পৰা মোৰ কি অনিষ্টৰ আশঙ্কা হব পাৰে? মই ঠিক কৰিলোঁ, শিৱই কেতিয়াও যজ্ঞ ভাগ নেপায়। মানিছোঁ যজ্ঞেশ্বৰ নহলে যজ্ঞফল অসম্পূৰ্ণ হব পাৰে; কিন্তু মই ফলাকাঙ্ক্ষী নহওঁ। শিৱৰ অপমান হলেই মোৰ মনোৰথ পৰিপূৰ্ণ হব।

নাৰদ।—মহাৰাজ, আপুনি যেতিয়া যজ্ঞ পাতিবলৈ ঠাৱৰ কৰিলে, তেনেস্থলত মোৰ অধিক বাক্যব্যয়ৰ একো প্ৰয়োজন নাই। আপোনাৰ আদেশ মই অৱশ্যে মানিম। ত্ৰিভুবনবাসীক অনতিবিলম্বে নিমন্ত্ৰণ কৰি, পুনৰ আপোনাৰ ওৰিত উপস্থিত হম হি।

দক্ষ :—এতিয়া সভা-ভঙ্গ কৰা যাওক। মন্ত্ৰী, এটি বিচিত্ৰ যজ্ঞ-ঘৰ সাজিব লাগে। আৰু সমুদায় যজ্ঞ-সম্ভাৰ যুগুত কৰিব লাগে। সভাসদ সকল, তোমালোকে সকলোৱে এইবিলাক কাৰ্য্যত মন্ত্ৰীক বিশেষৰূপে সাহায্য কৰিবা।

মন্ত্ৰী।—ভাল মহাৰাজ, আপোনাৰ অভিলষিত যজ্ঞ মণ্ডপ প্ৰস্তুত হব। আৱশ্যকীয় সকলো যজ্ঞ-সম্ভাৰ অতি শীঘ্ৰে মই আহৰণ কৰিম।

সভাসদবৰ্গ।—হে প্ৰজাপতি, আমি প্ৰাণপনে আপোনাৰ কাৰ্য্যত সাহায্য কৰিম।

[ দক্ষ মন্ত্ৰী আৰু সভাসদবৰ্গৰ প্ৰস্থান।

নাৰদ।—মহাৰাণীয়ে শিৱহীন যজ্ঞৰ কথা শুনি আজি মৰণান্তিক হব। মই যোৱাৰ পূৰ্ব্বে তেওঁক এবাৰ দেখা কৰি অলপ আশ্বস্তা কৰিব লাগে।

[ প্ৰস্থান।

---

## দ্বিতীয় দৰ্শন।—অন্তঃপুৰ।

( দক্ষ আৰু প্ৰসূতি উপবিষ্ট। )

প্ৰসূতি।—

ৰাগিণী মনহৰসই মিশ্ৰিত—তাল ঠেকা।

কি দাৰুণ বাতৰি॥
সুৰ অসুৰ, আহি ই স্থানে,
মহাযজ্ঞ চাব, সুখ-প্ৰাণে,
বিষাদ-বিহ্বলা, সতী হায় অজলা,
যাব থোজে মোৰ বুকু বিদৰি॥

প্ৰসূতি।—হে প্ৰাণনাথ, মহাযজ্ঞত মোৰ সতী নাহিব, এই চিন্তাই মোৰ বুক সাতফাল কৰিছে। নাথ, এনে নিদাৰুণ যজ্ঞ কিয় পাতিলে?

দক্ষ।—ৰাণী, ইয়াৰ কাৰণ অপমানৰ প্ৰতিশোধ, মানীৰ মান ৰক্ষা দোষীৰ সমুচিত দণ্ড। মই এই বাবে একো জগৰীয়া নহওঁ।

প্ৰসূতি।—মহাৰাজ, সুমলীয়া জী সতী নাহিলে মোৰ প্ৰাণ অন্ত হব।

দক্ষ।—দেবী, কাৰ্য্যক্ষেত্ৰত বেজাৰৰ ঠাই নাই।

প্ৰসূতি।—ৰাজন, আপুনি এবাৰ ভাবি চাওক, এনে মহোৎসবত নিজৰ জীয়েক নেথাকিলে মাকৰ মনত কেনে গভীৰ পৰিতাপ হব পাৰে।

দক্ষ।—প্ৰসূতি, ভাবৰ সোঁতত কাৰ্য্য শিথিল হয়—কাৰ্য্যপ্ৰবাহত ভাব মন্দীভূত হয়। মোৰ দৃঢ় প্ৰতিজ্ঞা হল, শিৱহীন যজ্ঞ হব—ৰাণী, মোৰ সিদ্ধান্তৰ বিৰুদ্ধে তুমি আৰু একো কথা উত্থাপন নকৰিবা। মই এতিয়া যাওঁ, পুৰোহিত ভৃগুমুনিক মতাই আনি তেওঁক যজ্ঞানুষ্ঠানৰ ভাৰ দিব লাগে।

[ দক্ষৰ প্ৰস্থান।

প্ৰসূতি।—

ৰাগিণী পিলু—তাল যৎ।

নেজানো কপালে মোৰ বিধিয়ে কি লিখিলে,
এনুৱা যাতনা হাঁয় হৃদয়ত থাপিলে।
প্ৰাণসম তুমি সতী, হব কি তোমাৰ গতি,
নিদাৰুণ মোৰ পতি এনে যজ্ঞ পাতিলে।

( নাৰদৰ প্ৰবেশ। )

বোপা, তোমালোকে শিৱহীন যজ্ঞ পাতিছা। মোৰ সতী যজ্ঞলৈ নাহিলে মোৰ প্ৰাণ অথিৰ হব।

নাৰদ।—বৌদেও, মই কি কৰিম। শিৱক নিমন্ত্ৰণ কৰিবৰ নিমিত্তে দাদাক ইমান কৈ থাটিলোঁ তথাপি তেওঁ আমাৰ কথা নুশুনিলে। মোক ত্ৰিভুবনবাসীক নিমন্ত্ৰণ কৰিবলৈ পঠি-

ন্নাইছে। দদাৰ আজ্ঞা পালিবই লাগিব। এই যজ্ঞৰ পৰিণাম কি হব গৈ, কোনে কব পাৰে।

প্ৰসূতি।—দেৱৰ্ষি, যদিও দদাৰে তোমাক কৈলাসলৈ যাবলৈ হাক দিছে, তথাপি একেসাৰ মোৰ কথা শুনি, এবাৰ সতীৰ ঘৰলৈ যাবা। মোৰ সতীক ইয়াকে কবা, "যজ্ঞত তোমাক নেদেখিলে, তোমাৰ মাৰ আৰু জীয়াই নেথাকে।' মাকৰ ঘৰলৈ জীয়েক আহিবৰ নিমিত্তে একো নিমন্ত্ৰণ নেলাগে।

ৰাগিণী ভৈৰবী—তাল আড়াঠেকা।

নাৰদ, ৰাখিবা মোৰ এই মিনতি,
জনাবা সতীক দুখিণীৰ কি গতি।
পৰাণৰ জৰী বোৰ, ছিগি-ভাগি যাব মোৰ,
যদি নেদেখিম মই চেনেহী সতী।

নাৰদ।—

ৰাগিণী জংলা—তাল যৎ।

ওহে মহাৰাণী,
নোবোলা নোবোলা এনে কাতৰ-বাণী।
যাওঁ মই কৈলাশলৈ, ই বাতৰি জনাওঁ গৈ,
নেকান্দা নেকান্দা, মোছাঁ চকুৰপাণী।

[ নাৰদৰ প্ৰস্থান।

প্ৰসূতী।— গাটো অবশ লাগিছে—অলপপৰ বিছনাত পৰি থাকোঁ গৈ।

[ প্ৰস্থান।

# দ্বিতীয় অঙ্ক।

## প্ৰথম দৰ্শন।—কৈলাসপুৰী।

( যোগ-ধ্যানত শিৱ উপবিষ্ট। )

গীত গাই গাই নাৰদৰ প্ৰবেশ।

নাৰদ।—

ৰাগিণী খাম্বাজ—তাল একতালা।

হৰি-প্ৰেমত নাচিছে অন্তৰ,
বাজিছে প্ৰেমৰ বীণা।
চিঞৰি চিঞৰি গোৱাঁ হৰি নাম,
আজি আনন্দৰ দিনা॥
তৰু তৃণ লতা, দেখোঁ যত মান,
উল্লসিত হেৰা গাই প্ৰেম-গান,
বিশ্ব-জগতত প্ৰেমৰ তৰঙ্গ,
একো নাই প্ৰেম বিনা॥

শিৱ।—( ধ্যান ভঙ্গ হৈ )।

ৰাগিণী মিশ্ৰিত—তাল একতালা।

গোলোক-পতি পৰমেশ্বৰ প্ৰেম-আনন্দ হৰি।
জগত জন তাৰিছা মহিমা প্ৰকাশ কৰি॥
কৃষ্ণনাম কৃষ্ণনাম, কৃষ্ণনাম হোৱাঁ মোৰ মন।
মঙ্গলকাৰী পাপ তাপ হাৰী পতিত জন পাবন॥

নাৰদ, সংবাদ কি ?

নাৰদ।—প্ৰভু এটা দুখৰ বাতৰি আছে। মহাৰাজা দক্ষই এটি যজ্ঞ পাতিছে। ত্ৰিজগতবাসীক নিমন্ত্ৰণ কৰিছে। হে যজ্ঞেশ্বৰ, কেৱল আপোনাক সেই যজ্ঞলৈ নিমন্ত্ৰণ নকৰে।

শিৱ।—দেৱৰ্ষি ই একো দুখৰ বাতৰি নহয়।

ৰাগিণী জংলা—তাল যৎ।

হৃদয়ত অবিৰাম, জপোঁ মই হৰিনাম,
হৰি জগতৰ সাৰ, ধৰ্ম্ম অৰ্থ মোক্ষ কাম॥
হৰি শান্তি হৰি গতি, হৰি মোৰ বুদ্ধিমতি,
হৰি হে পৰমানন্দ, হৰি মোৰ স্বৰ্গধাম॥
হৰি মোৰ যজ্ঞকুণ্ড, হৰি মোৰ ঘৃত-ভাণ্ড,
হৰি মহা যজ্ঞ মোৰ, হৰিৰ-অন্তৰে চাম॥
হৰি শ্ৰুব-শ্ৰুচ জোৰ, হৰি পুৰোহিত মোৰ।
যজ্ঞৰ সম্ভাৰ হৰি, হৰি যজ্ঞফল পাম॥

নাৰদ।—প্ৰভু, যথাৰ্থ কথা, হৰি বিনে আন যজ্ঞ কেলৈ? হে চিদানন্দ এতিয়া বিদায় মাগিলোঁ। আপোনাক দেখি আজি মোৰ হৃদয়ৰ প্ৰেমৰ সোঁতত উটি গৈছে।

শিৱ।—ভাল নাৰদ, যোৱাঁ। [ শিৱৰ পুনৰ্ব্বাৰ ধ্যান আৰম্ভ।

নাৰদ।—

ৰাগিণী খাম্বাজ—তাল একতালা।

প্ৰেম-কানাই, মুখে ফুৰোঁ গাই,
নাচি নাচি বাহু তুলি।
বিশ্ব কৰি দিয়াঁ, প্ৰেম-মতলীয়া,
হৰি হৰি হৰি বুলি॥

[ নাৰদৰ প্ৰস্থান।

## দ্বিতীয় দর্শন ।—শিৱালয় ( অন্তঃপুৰ ) ।

( সতী উপবিষ্টা । নাৰদৰ প্ৰবেশ । )

সতী ।—দেবৰ্ষি, আহাঁ আসন গ্ৰহণ কৰাঁ । আমাৰ বৰ ভাগ্য, আজি তুমি কৈলাশলৈ আহিলা । ঋষিৰাজ, কিবা বাতৰি আছেনে কি ?

নাৰদ ।—হে মাতৃ, মহাৰাজা দক্ষই এটি যজ্ঞ পাতিছে । তালৈকে চৰাচৰ জগতক নিমন্ত্ৰণ কৰিবৰ নিমিত্তে মোক পাঠাই দিছে ।

সতী ।—নাৰদ, শুভ বাতৰি । আহা, কেনে সুখৰ সম্বাদ । মই মোৰ আইক্ চাবলৈ পামগৈ, ইয়াতকৈ আৰু আনন্দৰ বিষয় কি আছে ।

নাৰদ ।—হে দেবী, অপৰাধ মাৰ্জ্জনা কৰিব । আপোনাৰ পিতাই শিৱহীন যজ্ঞ পাতিছে । শিৱক নিমন্ত্ৰণ কৰিবলৈ মহাৰজাই মোক হাক্ দিছে ।

সতী ।—

ৰাগিণী জংলা—তাল যৎ ।

কিয় হে নাৰদ মোৰ সুখ-স্বপ্ন কাঢ়ি নিলা ।
দাৰুণ বাতৰি হায় কিয় আহি মোক দিলা ॥
কি কথা শুনালা মোক, দহিছে বিষম শোক,
জানো অন্ত হব মোৰ এই জীৱনৰ লীলা ।

হে মহামুনি, কোৱাঁচোন, কি কাৰণে পিতাই এনে আচৰণ কৰিছে ।

নাৰদ ।—ভূত ৰাজৰ [illegible] মহাদেৱৰ উপাসন অধিক [illegible] [illegible] কথাত দক্ষ

RAISAHIB HANUMAN BUX KANOI LIBRARY
No..............
Date..............

বাজে অপমান বোধ কৰিলে। সেই অপমানৰ প্ৰতিশোধৰ নিমিত্তে এই যজ্ঞৰ অনুষ্ঠান।

সতী।—দেবর্ষি, আইক চাবৰ নিমিত্তে বৰ আশা কৰিছিলোঁ। হায়, হায়, আৰু মোৰ সেই আশা পূৰ্ণ নহয়! এনে মহোৎসৱত মই আইৰ ঘৰলৈ যাবলৈ নেপাওঁ—ইয়াতকৈ আৰু বেজাৰৰ কথা কিবা আছেনে। এই বিষয়ে কাৰো দোষ নাই। সকলো মোৰ নিজৰ কপালৰ লিখন। কিন্তু হে মুনিবৰ, এনে শুভ দিনত মই আইৰ চৰণ-সেৱা কৰিবলৈ নেপাম, ই অতি দুখৰ বিষয়। ঋষিৰাজ, ত্ৰিদশ দেৱতাই যজ্ঞ ভাগ পাব, কেৱল মোৰ স্বামী যজ্ঞ ভাগৰ পৰা বঞ্চিত থাকিব, এই কথা ভাবি মোৰ মন একেবাৰে উচাটন হৈছে। হায়, এই অনাথিনীৰ কপালত আৰু বা কি আছে, কোনে জানে!

নাৰদ।—হে ভগৱতী, আপোনাৰ মাতৃ দেবীয়ে শিৱহীন যজ্ঞৰ কথা শুনি নিতান্ত কাতৰ হৈছে। আপোনাৰ নিমিত্তে ভাবি ভাবি একেবাৰেই তেওঁ অবশ হৈ পৰিছে। আপুনি যাবৰ নিমিত্তে আপোনাক জনাবলৈ মোক অনুনয় বিনয় কৰি কৈ পঠিয়াইছে।

সতী।—নাৰদ, নিমন্ত্ৰণ নোহোৱাকৈ কেনেকৈ যাম।

নাৰদ।—মাকৰ ঘৰলৈ জীয়েক যাবৰ নিমিত্তে একো নিমন্ত্ৰণ নালাগে। গুৰু জনৰ ঘৰলৈ যোৱাত একো অপমান নাই। আই, মই, আৰু বেলি কৰিব নোৱাৰোঁ। ত্ৰৈলোক্য ফুৰিবলৈ লাগে। এতিয়া বিদায় মাগিলোঁ।

সতী।—ভাল, নাৰদ যোৱাঁ।

[ নাৰদৰ প্ৰস্থান।

আইক চাবৰ নিমিত্তে মোৰ মন ব্যাকুলিত হৈছে। বিষঁয় সমস্তাত পৰিলোঁ। গুৰুজনৰ ঘৰলৈ যোৱাত একো অপমান নাই, সঁচা কথা। কিন্তু পিতাই যদি মোক আদৰ নেদেখুৱায়, সকলোৰে আগত যদি মোৰ পতি নিন্দা কৰে, তেনেহলে মই কেতিয়াও সহিব নোৱাৰিম।

( কৃত্তিকা, অশ্বিনী আৰু ৰোহিণীৰ প্ৰবেশ। )

কৃত্তিকা।—

ৰাগিণী পিলু—তাল যৎ।

পিতাৰ যজ্ঞলৈ যাওঁ, মিলি বাই ভনী হে।
একে লগে ৰঙ্গ-মনে, আহাঁ কেও জনী হে।
আইৰ চৰণ চাম, প্ৰেম-হিয়া চেটিয়াম,
উলাহ অন্তৰে আমি পিম প্ৰেম-পানী হে॥

সতী।—

ৰাগিণী সুৰট—তাল ঝাঁপতাল।

তাঁকে গুণো হাঁয়, নিমন্ত্ৰণ নাই।
যাওঁ বাৰু মই যজ্ঞলৈ কি বুলি।
তোমালোকে তাত্, পাবা মিঠা মাত,
নেচায় পিতা মোক উলটি সমূলি॥
মোৰ কপালত, হেৰা বিধতাই,
যত দুখ আছে, লিখিছিল হাঁয়!
শিৱ-নিন্দা যদি কৰে পিতা মোৰ,
জানো ই প্ৰাণৰ পৰিব হে ওৰ॥

অশ্বিনী।—সতী তুমি একো চিন্তা নকৰিবা। তোমাক দেখিলে পিতাই কেতিয়াও অনাদৰ নকৰে। এতিয়া তেওঁৰ মনত ক্ৰোধ

থাকিলেও, তোমাৰ মুখখানি দেখা মাত্ৰ তেওঁ সকলো পাহৰি পেলাব। অপত্য-স্নেহ অদ্ভুত বস্তু।

ৰোহিণী।—মৰমৰ ভনী, তুমি নগলে আইয়ে কান্দি-কাতি বলিয়া হব। তুমি কোন্টো সতেৰে তেওঁক জীয়া-জুইত পেলাব খুজিছা।

সতী।—বাইদেও হঁত, আইক চাবৰ নিমিত্তে মোৰ মন উতলা হৈছে। কিন্তু পিতাই আমাক নিমন্ত্ৰণ কৰা নাই। এনে অৱস্থাত মোৰ স্বামীয়ে মোক যাবলৈ অনুমতি দিবনে। বাৰু তেওঁক মই কাকুতি মিনতি কৰি জনাওঁগৈ। তোমালোকে আগধৰি যোৱাহঁক—আইক কোৱাঁগৈ, স্বামীৰ অনুমতিলৈ মই অলপতে যাম।

( কৃত্তিকা, অশ্বিনী, ৰোহিণীৰ প্ৰবেশ। )

যাওঁ স্বামীৰ অনুমতি লওঁ গৈ।

[ প্ৰস্থান।

# তৃতীয় অঙ্ক।

—০○০—

## প্ৰথম দৰ্শন।—কৈলাস।

( শিৱ আৰু সতী উপবিষ্ট। )

শিৱ।—সতী, বাৰে বাৰে কিয় মোৰ অনুমতি খুজিছা। অনিমন্ত্ৰিত হৈ যজ্ঞলৈ যোৱাটো কেতিয়াও প্ৰশংসনীয় নহয়।

সতী।—হে প্ৰাণনাথ, জীয়েকে মাক বাপেকৰ ঘৰলৈ অনিমন্ত্ৰিত হৈ যোৱাত একো অপমান নাই।

শিৱ।—কন্যা-স্বৰূপে পিতৃ ঘৰত অবস্থিতি-কালত অৱশ্যে মাক বাপেকৰ কথাত জীয়েকৰ অপমান হব নোৱাৰে। কিন্তু যেতিয়া তেওঁ বিবাহিতা হয়, তেতিয়া স্বামী গৃহহে তেওঁৰ যথাৰ্থ ঘৰ হয় পিতৃ-মাতৃ ঘিতিৰ কুটুমৰ সাবিত গণ্য হয়।

সতী।—হে স্বামী, যদিও কন্যাৰ এনে অৱস্থান্তৰ ঘটে, তথাপি মাক বাপেকৰ মানত তেওঁ সেই পূৰ্ব্বৰ মৰমৰ কন্যা।

শিৱ।—চোৱাঁচোন, স্বামী আৰু তিৰোতা সকলো বিষয়তে অভিন্ন। মোৰ অপমান আৰু তোমাৰ অপমান দুয়ো একে কথা। তিৰোতা স্বামীৰ সুখ দুঃখানুবৰ্ত্তিনী।

সতী।—কিয় তুমি মোৰ হৃদয়ৰ বৈপৰীত্য আচৰণ কৰিব খুজিছা?

সতী।—হে ত্ৰিকালজ্ঞ, মোৰ বাই দেওইঁত সকলোটি যজ্ঞলৈ গৈছে। মই যাবলৈ নেপালে মোৰ মনত যেনে ভাবোচ্ছ্বাস হব, তাক আপুনি অৱশ্যে জানিছে। প্ৰাণনাথ, অভাগিনীক যাবলৈ অনুমতি দিয়ক।

শিৱ।—প্ৰেয়সী, তোমাৰ বালিকা-স্বভাৱ-সুলভ চাঞ্চল্য এতিয়াও গুচা নাই। সতী, ভাবি চোৱাঁ, গৃহস্থ-ধৰ্ম্মত চঞ্চলতাৰ বসতি নাই।

সতী।—হে যজ্ঞেশ্বৰ, ত্ৰিদশ দেৱতা যজ্ঞলৈ নিমন্ত্ৰিত হৈছে, কেৱল আপুনি যজ্ঞ-ভাগ নেপাব, ইয়াতকৈ পৰিতাপৰ বিষয় আৰু কি আছে। মই নিজে পিতাক সুধিম গৈ আপোনাক কিয় এনে সম্ভ্ৰমৰ পৰা বিচ্যুত কৰিব।

শিৱ।—হে দেৱী, তুমি একান্ত পতিপ্ৰাণা সতী। দক্ষৰাজে তোমাৰ আগত মোৰ নিন্দা কৰিলে তোমাৰ প্ৰাণে কেনেকৈ সহিব।

সতী।—নাথ, কাকুতি কৰিছোঁ মোৰ ইচ্ছাত বাধা নজন্মাব। মোক দেখিলেই পিতা প্ৰসন্ন হব। তেতিয়া আপোনাক অৱশ্যে যজ্ঞলৈ নিমন্ত্ৰণ কৰি পঠাব।

শিৱ।—সতী, নিমন্ত্ৰণৰ নিমিত্তে মোৰ অভিলাষ নাই। মোৰ যদি বাস্তৱতে মান নাই, তুমি কিয় মোৰ নিমিত্তে মান বিচাৰিব লাগিছে।

[ সতীৰ কালী-মূৰ্ত্তি ধাৰণ।

শিৱ।—ই কি !

দিগম্বৰী কালীমূৰ্ত্তি ভয়াঙ্কৰ বেশ—

[ সতীৰ তাৰা-মূৰ্ত্তি ধাৰণ।

শিৱ।—ব্যাঘ্ৰচৰ্ম্ম পৰিধান, জটাযুত কেশ—

[ সতীৰ ষোড়শী মূৰ্ত্তি ধাৰণ।

শিৱ।—বালাৰ্ক মণ্ডল জিনি লাৱণ্য দেহৰ—

[ সতীৰ ভুবনেশ্বৰী মূৰ্ত্তি ধাৰণ।

শিৱ।—পদ্মাসন, দিব্য বস্ত্ৰ ভূষণ সুন্দৰ—

[ সতীৰ ভৈৰবী মূৰ্ত্তি ধাৰণ।

শিৱ।—ৰক্তালিপ্ত পয়োধৰ, কণ্ঠে মুণ্ডহাৰ—

[ সতীৰ ছিন্নমস্তা মূৰ্ত্তি ধাৰণ।

শিৱ।—ছিন্ন শিৰ, ঘোৰ ৰূপ, বীভৎস আচাৰ—

[ সতীৰ ধূমাবতী মূৰ্ত্তি ধাৰণ।

শিৱ।—হাতে কুলা, ক্ষীণ বুঢ়ী, ঘনে দোলে স্তন—

[ সতীৰ বগলা মূৰ্ত্তি ধাৰণ।

শিৱ।—দুৰ্দ্দান্ত দৈত্যৰ জিহ্বা কৰে উৎপাটন—

[ সতীৰ মাতঙ্গি মূৰ্ত্তি ধাৰণ।

শিৱ।—শৰীৰৰ বৰ্ণ শ্যাম, ৰক্ত পদ্মাসন—

[ সতীৰ কমলা মূৰ্ত্তি ধাৰণ।

শিৱ।—দুই মত্ত হস্তী কৰে অমৃত সিঞ্চন—

[ সতীৰ পুনঃ স্ব-মূৰ্ত্তি ধাৰণ।

সতী।—হে জগদীশ, অনুমতি দিয়ক, যজ্ঞলৈ যাওঁ।

ৰাগিণী খাম্বাজ—তাল মধ্যমান।

ইচ্ছাময়ী আদ্যাশক্তি, বিশ্বমূৰ্ত্তি তুমি সতী।
জগদ্ধাত্ৰী জগন্মাতা, তুমি পৰাৎপৰা গতি ॥
তুমি বিশ্ব স্বৰূপিনী, অনাদি কাৰণ ভূমি।
চৰাচৰ জগতৰ নিয়ন্ত্ৰী নিৰ্গুণা তুমি ॥

সতী।—হে প্ৰাণকান্ত, সুপ্ৰসন্ন হৈ পিতাৰ ঘৰলৈ যাবলৈ আজ্ঞা কৰক।

শিৱ।—প্ৰিয়তমা, কোনো বাধা নাই তুমি যজ্ঞলৈ অনায়াসে যাব পাৰাঁ। পাৰিষদ—

[ নন্দী ভৃঙ্গীৰ প্ৰবেশ।

নন্দী ভৃঙ্গী।—প্ৰভু আজ্ঞা কৰক।

শিৱ।—দক্ষপুৰীলৈ যোৱাঁ—সতীক পিত্ৰালয়ৎ থৈ আহাঁ গৈ।

নন্দী ভৃঙ্গী।—ভাল, প্ৰভু।

সতী।—নন্দী, ভৃঙ্গী, বলা আহিম বেগতে যাওঁ। (শিৱক প্ৰণিপাত কৰি) প্ৰভু দাসীয়ে বিদায় ললোঁ।

[ নন্দী ভৃঙ্গীসহ সতীৰ প্ৰস্থান।

শিৱ।—মোৰ মন কিয় এনে ক্ষুব্ধ হৈছে কব পৰা নাই। যাওঁ, ইতস্ততঃ পৰিভ্ৰমণ কৰি, মনোহাৰিণী প্ৰকৃতিৰ শোভা চাই, মধুৰ প্ৰাণ শান্তি ৰসেৰে পৰিপ্লুত কৰোঁ গৈ।

[ শিৱৰ প্ৰস্থান।

---

## ২য় দৰ্শন।—দক্ষপুৰী ( ৰাজভবন )।

( নাৰদ আৰু দক্ষৰ কথাবাৰ্ত্তা। )

নাৰদ।—হে ৰাজন, ত্ৰিভুবন নিমন্ত্ৰণ কৰিলো। বৈকুণ্ঠৰ নাৰায়ণ, ব্ৰহ্মলোকৰ ব্ৰহ্মা, অমৰাৱতীৰ ইন্দ্ৰ, চন্দ্ৰলোকৰ চন্দ্ৰ, পাতালৰ বাসুকী আৰু বলী—সকলোকে এজন এজন কৈ যজ্ঞৰ নিমিত্তে আহ্বান কৰা হল। কেৱল আপোনাৰ আদেশ মতে কৈলাশৰ সদাশিৱক নিমন্ত্ৰণ নকৰিলোঁ।

দক্ষ।—দেৱৰ্ষি, আপুনি যেতিয়া মোৰ সহায় আছে, মই স্বৰূপ জানিলোঁ মোৰ যজ্ঞ পূৰ্ণ হব– মোৰ হৃদয়ৰ শেল উঘলি পৰিব।

নাৰদ।—ৰাজন, আপুনি এতিয়া যজ্ঞৰ—সম্ভাৰৰ আয়োজন কৰক গৈ। মইও যাওঁ—সময়ত আহি যজ্ঞ স্থলীত উপস্থিত হম।

[ নাৰদৰ প্ৰস্থান।

দক্ষ।—গুৰুতৰ অনুষ্ঠানৰ প্ৰাৰম্ভত হৃদয় স্বভাৱতঃ অনিৰ্ব্বচনীয় ক্লেশ-পীড়িত হয়। মনটি ভাবাক্ৰান্ত যেন বোধ হৈছে। যাওঁ, যজ্ঞ-সম্ভাৰৰ আয়োজন কৰিব লাগে। [ প্ৰস্থান।

---

## ৩য় দর্শন ।—বনপথ ।

( নন্দী, ভৃঙ্গী আৰু সতীৰ প্ৰবেশ )

সতী ।—নন্দী চোৱাচোন সৰোবৰত সেই পদুম পাহিৰ নলাটি বতাহত কেনেকৈ ভাগি পৰি আছে !

নন্দি ।—আই, সৌ পৰ্ব্বতশৃঙ্গ পাৰ হলেই আমি দক্ষপুৰী পাম গৈ ।

সতী ।—পৰ্ব্বত শৃঙ্গটি কলা কলা ডাৱৰে কেনেকৈ ঢাকি থৈছে !

ভৃঙ্গী । —আই দক্ষ ৰাজাৰ মহোৎসৱৰ বাদ্য ইয়াৰ পৰা অলপ অলপ শুনা গৈছে ।

সতী । ভৃঙ্গী বাদ্যৰৰ ৰিনিকি ৰিনিকি আহি মোৰ হৃদয়ৰ তলি স্পৰ্শ কৰিছে । সেই শব্দে মোৰ প্ৰাণ আকৰ্ষণ কৰিব লাগিছে । বলাঁ, আমি আৰু বেলি নকৰোঁ । বাইদেও ইতৰ দেখি আইয়ে চাগৈ মোৰ নিমিত্তে নিতান্ত কাতৰ হৈছে ।

[ তিনিৰো প্ৰস্থান ।

# চতুৰ্থ অঙ্ক।

—০:০:০—

১ম দৰ্শন।—দক্ষৰাজৰ অন্তঃপুৰ।

( প্ৰসূতি, কৃত্তিকা, অশ্বিনী ৰোহিণী উপবিষ্টা। )

প্ৰসূতি।—আইটি হঁত, তোমালোক সকলোটি আহিলা—মোৰ সতীক লৈ নাহিলা। তেওঁ চাগৈ দেহি কিমান বেজাৰ কৰিছে। মোৰ আজলী লুমলীয়া জী তেওঁক নেদেখি মোৰ প্ৰাণ কান্দিব লাগিছে। স্বামীৰ দুৰ্ব্বুদ্ধি ঘটিছে—ত্ৰিভুবনক নিমন্ত্ৰণ কৰে, কেৱল শিৱক আহ্বান নকৰে। শিৱৰে সৈতে যদি তেওঁৰ মনোমালিন্য আছে, মোৰ সতীয়ে কি অপৰাধ কৰিলে। ৰাজাই তেওঁক কিয় নেমাতিলে।

কৃত্তিকা।—আই, আমি সতীক লৈ আহিবৰ নিমিত্তে কৈলাসত সোমাইছিলোঁ। নিমন্ত্ৰণ নকৰা বাবে তেওঁ মনত বৰ বেজাৰ পাইছে। পোনতে তেওঁ আহিবলৈ একে বেলিয়েই অসম্মতি প্ৰকাশ কৰিলে। আমি বৰাই বুজাই কোৱাত আহিবলৈ স্থিৰ কৰিলে; কিন্তু স্বামীৰ অনুমতি নোলোৱাকৈ যাব নোৱাৰোঁ বুলি কলে। সেই দেখি আমি গুছি আহিলোঁ।

অশ্বিনী।—স্বামীৰ অনুমতি লৈ তেওঁ অৱশ্যে আহিব। আই, আপোনাৰ চিন্তাৰ একো কাৰণ নাই।

ৰোহিণী।—সতী কি জানি অলপতে পাৰহিয়েই।

প্ৰসূতি।—মোৰ সতী আটাইতকৈ দুখীয়া। আইটী হঁত, সতী নাহিলে মোৰ যে কি অৱস্থা হব, কব পৰা নাই। ধন বস্ত ঐশ্বৰ্য্য বিভূতি তেওঁৰ একো নাই—ভূত প্ৰেত পিশাচৰ মাজত মোৰ আই পৰি আছে, তাতে যদি এনে মহোৎসৱৰ সময়ত তেওঁ মাকৰ ঘৰলৈ আহিবলৈ নেপাই, তেনেহলে আৰু কি তেওঁ জীয়াই থাকিব!

SAHIB HANUMAN BUX KA... No.... Date.... ...H COLLEGE.

ৰাগিণী ভৈৰবী—তাল আড়াঠেকা।

সতীক নেদেখি মোৰ কণ্ঠাগত আজি প্ৰাণ।
কোন্ হেৰা দুৰ্ভগীয়া জগতত মোৰ মান।
আনন্দ চাৰিও পিনে, আজি মহোৎসৱ-দিনে,
কেৱল হৃদয় মোৰ বিষাদত থান-বান॥

[ সতীৰ প্ৰবেশ।

ৰাগিণী জংলা—তাল আড়াঠেকা।

আহাঁ মোৰ বাপি, ওচৰলৈ চাপি,
তাপিত পৰাণ দিয়া চেঁচা কৰি।
তোমাক নেদেখি, প্ৰতি পল লেখি,
শোক-এন্ধাৰত আছিলোঁ হে পৰি॥
আহিল অশ্বিনী, কৃত্তিকা ৰোহিণী,
আহিল তোমাৰ আছে যত বাই।
তুমি আহি সতী, দিলা শোক অতি,
আছিলোঁ কেৱল তোমাকে থিয়াই॥

সতী।— ৰাগিণী খাম্বাজ মিশ্ৰিত ঝিঁঝিট—তাল যৎ।

আৰু আই, নহওঁ মই, তোমাৰ সতী জী।
কোৱাঁ বাৰু মোত আৰু তোমাৰ মায়া কি।
নাই মোৰ ঘৰ বাৰি; মই ভিখাৰীৰ তিৰী,
কি হব তোমাৰ মোক নিমন্ত্ৰণ দি॥

প্ৰসূতি।—

ৰাগিণী খাম্বাজ মিশ্ৰিত—তাল যৎ।

কিয় অন্তৰত মোৰ বিষৰাশি ঢালিছা ?
আছোঁ সন্তাপিত, কিয় সমুলঞ্চে মাৰিছা ?
ছটফট কৰে প্ৰাণ, বন-পোৰা পশু যেন,
নিদাৰুণ ভাৱে কিয় তীক্ষ্ণ বাণ হানিছা ?

সতী, মই মোৰ নিজৰ গৰাকি নহওঁ। তোমাৰ পিতাৰাঁক তোমাক মাতিবলৈ কত মতে জনালোঁ। তেওঁ একোমতে মোৰ কথা নুশুনিলে। তেনে স্থলত কোৱাঁ মোৰ আই, চকুলোৰে তিতি থকাত বাজে আৰু মোৰ কি উপায় আছিল ? তথাপি মই দেবৰ্ষি নাৰদৰ আগত তুমি আহিবলৈ কিমান—কাকুতি মিনতি কৰি কৈ পঠাই ছিলোঁ। আই, মোৰ গাত একো দোষ নিদিবা। তোমাৰ মাৰ হৈ মই তোমাৰ অকল্যাণ চিন্তা কৰিম, সতী এনে কথাও কেতিয়াবা তুমি মনত ভাবাঁনে ? ঈশ্বৰে মোক, হাঁয়, এনে দুৰ্ভগীয়া কৰি সৃজন কৰিলে। মোৰ অতি মৰমৰ কুমলীয়া সতী, তেওঁৰ সদাই দুখতেই দিন গৈছে। তাতে আকৌ, হাঁয়, মোৰ স্বামীয়ে নিজৰ ঘৰত মহোৎসৱ পাতি তেওঁক নিমন্ত্ৰণ নকৰিলে। মই কব নোৱাৰোঁ, মহাৰাজাক এনে মতি কোনে দিলে!

সতী।—আই মই আপোনাক দোষ দিয়া নাই। মোৰ মনৰ বেজাৰৰ কথা হে কৈছোঁ। বাৰু কওকচোন, মই বেজাৰ কৰিব নেপাওনে ?

প্ৰসূতী।—ইয়াতকৈ আৰু বেজাৰৰ কাৰণ আন কি হব পাৰে। কিন্তু সতী, মই কি কৰিম,। হাঁয়, ইমান বিলাক কষ্ট সহিবলৈকে ঈশ্বৰে মোক জীয়াই ৰাখিছে!

কৃত্তিকা।—আই, সতীয়ে দুখে-ভাগৰে আহিছে। তেও এতিয়া অলপ জিৰাবগৈ লাগে।

প্রসূতী।—বলাঁ, সতী, এখন্তক জিৰোৱাঁ গৈ।

অশ্বিনী।—আহোঁতে বাটত চাগৈ তেওঁৰ বৰ ভাগৰ লাগিল ; দেহি।

ৰোহিণী।—সতী, এনেই তুমি পথক্লান্তা, তাতে আকৌ দুশ্চিন্তাৰ দ্বাৰা নিতান্ত কাতৰ হৈছা। বলাঁ, অলপ বিশ্রাম কৰাঁ গৈ।

[ সকলোৰে প্রস্থান।

---

## ২য় দর্শন। দক্ষৰ ঘৰ।

( দক্ষ, মন্ত্রী আৰু ভৃগু উপবিষ্ট। )

দক্ষ।—হে দেবর্ষি; যজ্ঞ-সম্ভাৰ সকলো যুগুত হল। যজ্ঞৰ নিমিত্তে ত্রৈলোক্যবাসী সকলোকে আহ্বান কৰা হল।

ভৃগু।—মহাৰাজ, কালবিলম্ব নকৰি শুভক্ষণত যজ্ঞাৰম্ভ কৰা যাব। আপোনাৰ যজ্ঞ সর্ব্বতোভাবে কল্যাণকৰ হব।

দক্ষ।—মহর্ষি, আপোনা লোকৰ সকলোৰে সাহায্য নহলে মোৰ কি সাধ্য, মই এনে মহৎ কার্য্যৰ নিমিত্তে মন মেলিব পাৰোঁ। আপোনা লোকে যেতিয়া একান্ত মনেৰে মোৰ কামনা পূৰণ কৰিবলৈ চেষ্টিত, মই নিশ্চয় জানিছো, মোৰ এই যজ্ঞ নির্ব্বিঘ্নে সম্পন্ন হব। ঋষিবৰ, ত্রিদশ দেৱতা মোৰ সহায়—ব্রাহ্মণ-মণ্ডলী, ৰাজন্যবর্গ সকলো মোৰ সপক্ষ। পৰমেশ্বৰে মোৰ মনোৰথপূর্ণ কৰিব। তাত কোনো সন্দেহ নাই। মন্ত্রীবৰ, তুমি যেতিয়া স্বয়ং যজ্ঞভূমি নির্ম্মাণ কৰাইছা, মই জানিছো সি সর্ব্বাঙ্গ সুন্দৰ হৈছে।

মন্ত্ৰী।—মহাৰাজ, নন্দনকাননৰ বিচিত্ৰ পত্ৰ পুষ্পেৰে যজ্ঞ ঘৰ সুসজ্জিত কৰা হৈছে। ৰজত, প্ৰবাল, মুকুতা মৰকত; বৈদুৰ্য্যমণি ইত্যাদিৰে গোটেই ঘৰ অলঙ্কৃত কৰা হৈছে। বিবিধ প্ৰতিমূৰ্ত্তিৰে যজ্ঞমণ্ডপ শোভিত হৈছে।—সেই বিলাকৰ প্ৰতিচ্ছায়া পৰি স্ফটিকৰ স্তম্ভ-সাৰিয়ে অপূৰ্ব্ব শ্ৰী ধাৰণ কৰিছে। দেৱ, দৈত্য, মনুষ্য সকলো বহিবৰ নিমিত্তে স্থান নিৰ্দ্দিষ্ট কৰা হৈছে। নৃত্য গীত বাদ্যৰ নিমিত্তে অপ্সৰ, অপ্সৰী, গন্ধৰ্ব্ব, গন্ধৰ্ব্বী, কিন্নৰ-কিন্নৰী সকলৰ ঠাই পৰিপাটীৰূপে প্ৰস্তুত কৰা হৈছে। ৰাজন্যবৰ্গ থাকিবৰ নিমিত্তে সুৰম্য অট্টালিকা নিৰ্ম্মাণ কৰা হৈছে। ঋষি সকলৰ নিমিত্তে শান্তিময় মন্দিৰ সজা হৈছে—আমপাতৰ মালাৰে মন্দিৰ পৰিশোভিত হৈছে, ঠায়ে ঠায়ে পূৰ্ণকুম্ভ সংস্থাপিত কৰা হৈছে।

দক্ষ।—মন্ত্ৰীবৰ, ধন্য তোমাৰ নিপুণতা। এনে গুৰু কাৰ্য্য তোমাত বাজে আৰু আন কোনে সুচাৰুৰূপে সম্পাদন কৰিব পাৰে?

দক্ষ।—মন্ত্ৰীবৰ, আহাঁ এতিয়া যজ্ঞস্থলীলৈ যাওঁ। অভ্যাগত সকলক বিধিমতে অভ্যৰ্থনা কৰিব লাগে। দেৱৰ্ষি, যজ্ঞানুষ্ঠানৰ পূৰ্ব্ব কাৰ্য্যবিলাক আপুনি এবাৰ নিজে পৰিদৰ্শন কৰক হি।

[ সকলোৰে প্ৰস্থান।

# পঞ্চম অঙ্ক।

—০:○:০—

## ১ম দর্শন।—সভাস্থল।

( দেৱতা সকল ঋষি সকল, দক্ষ, মন্ত্রী, পুৰোহিত আদি উপবিষ্ট। )

ব্রহ্মা।—বোপা, তুমি মোৰ মৰমৰ পো। তোমাৰ অনৰ্থৰ আশঙ্কাই মোৰ প্ৰাণ ব্যাকুল কৰিছে।

দক্ষ।—পিতা, আপুনি স্বয়ং যাৰ জন্মদাতা, চক্ৰধাৰী বিষ্ণু যাৰ যজ্ঞ—ৰক্ষক, বজ্ৰপাণি ইন্দ্ৰ যাৰ সহায় হৈ এই সভাস্থলীত উপস্থিত আছে, তাৰ অনিষ্টৰ কি আশঙ্কা হব পাৰে, মই বুজিব নোৱাৰোঁ।

ব্ৰহ্মা।—হে ৰাজন্, অসাধ্য—সাধন কোনে কৰিব পাৰে। দেবাদি দেব মহাদেৱৰ লাঞ্ছনা এই ত্ৰিভুবনত সম্ভৱ নহয়। আৰু তেওঁ যজ্ঞ ভাগ নেপালে তোমাৰ এই যজ্ঞ অসম্পূৰ্ণ হব। এতেকে, তুমি সুস্থিৰ হোৱাঁ—শিৱহীন যজ্ঞৰ ভাৰ মনৰ পৰা একেবাৰেই আঁতৰ কৰি পেলোৱাঁ। এতিয়াও তুমি শিৱৰ নিমন্ত্ৰণ কৰি নিজৰ কল্যাণ—কামনা কৰাঁ।

বিষ্ণু।—গিৰিৰাজ, তোমাৰ পিতাৰাৰ বাক্য অৱহেলন নকৰিবা। ৰুদ্ৰ যদি ক্ৰোধান্বিত হয়, তেনেহলে মোৰ কি সাধ্য, মই তেওঁৰ বিপক্ষতাচৰণ কৰিব পাৰিম। তমো গুণাশ্ৰিত মহেশ্বৰ যদি বিৰোধী হয়, তেনেহলে ধ্ৰুব বুজিবা, তিলেকতে এই ত্ৰিভুবনৰ প্ৰলয় মিলিব। মোৰ এই সুদৰ্শন চক্ৰ, ধুৰ্জ্জটীৰ ত্ৰিশূলৰ আঘাতত খণ্ড-বিখণ্ড হৈ যাব। এতেকে তুমি সুস্থিৰ হোৱাঁ—

শিৱহীন যজ্ঞ এৰি পেলোৱাঁ। তুৰন্তে অপৰাধ স্বীকাৰ কৰি, পশুপতিক নিমন্ত্ৰণ কৰি আনা।

ইন্দ্ৰ '—প্ৰভু, মোৰ এই বজ্ৰ মহাভৈৰবৰ ত্ৰিশূলৰ কোবত তুলাৰ নিচিনা হৈ উৰি যাব। হে লোকাধিপতি, তুমি এতিয়াও নিজৰ দুষ্কৰ্ম্ম ক্ষালনৰ চেষ্টা কৰাঁ। মহাদেৱক তুমি সামান্য বুলি নেভাবিবা। তেওঁৰ অপ্ৰিয়-কামনা কৰা আৰু আত্মঘাতী হোৱা সমান কথা। ক্ৰোধ উপস্থিত হলে, তেওঁৰ ললাট-বহ্নিয়ে ব্ৰহ্মাণ্ড দগ্ধ কৰিব, ত্ৰিশূলৰ আঘাতত জনপ্ৰাণী চূৰ্ণকৃত হব, বলদৰ প্ৰকাণ্ড শিঙৰ কোবত জীৱ-জন্তু ছিন্নবিচ্ছিন্ন হব, প্ৰচণ্ড প্ৰতাপী ভূত প্ৰেত পিশাচবিলাকে ত্ৰিভুবন লণ্ড-ভণ্ড কৰিব, জটাশ্ৰিত অজগৰৰ ফোপাউৰিত বিষৰাশি পৰিব্যাপ্ত হৈ চৰাচৰ জগৎ জড়ৱৎ হব, জটামণ্ডলীৰ পৰা গঙ্গাদেৱী বহিৰ্গত হৈ স্থাৱৰ জঙ্গম সমুদায় প্ৰলয়-গৰ্ভত নিমগ্ন কৰিব। মহাদেৱৰ ক্ৰোধ উদ্ভৱ হলে বাঘাম্বৰৰ আলোকত সূৰ্য্য ৰশ্মি নিস্তেজ হব, প্ৰমথবিলাকৰ বিকট কোলাহলত মেঘ-গৰ্জ্জন পৰাভূত হব।

ব্ৰহ্মা।—হে ৰাজন্, যদি সতীৰ ক্ৰোধ হয়, তেনেহলে কীট পতঙ্গ কোনো ৰক্ষা নপৰে, এই কথা তুমি ঠাৱৰ বুজিবা। সতীত্বৰ তেজত ত্ৰৈলোক্য ভস্মীভূত হব। দক্ষৰাজ, আমি সকলোৱে তোমাক উপদেশ দিছোঁ, তুমি অবিলম্বে মহাদেৱক নিমন্ত্ৰণ কৰাঁ।

দক্ষ।—হে দেৱ, মাৰ্জনা কৰিব, শিৱহীন যজ্ঞানুষ্ঠানৰ প্ৰতিজ্ঞা কৰিছোঁ, প্ৰতিজ্ঞা প্ৰতিপালন কৰিম। আপোনা-লোক সকলো মোৰ সাহায্যকাৰী থাকোঁতে, এজন দেৱতাৰ নিমিত্তে মোৰ ভয় নাই।

ব্ৰহ্মা।—বোপা, তুমি দেৱ শ্ৰেষ্ঠ বুলি নেমাতিলেও, তোমাৰ জোঁৱাই বুলি তেওঁক মাতিব লাগে। নিজৰ জোঁৱায়েকক অপমানিত কৰা কেতিয়াও প্ৰশংসনীয় কাম নহয়।

দক্ষ।—মঙ্গলৰ অৰ্থে যজ্ঞৰ অনুষ্ঠান। এনে মাঙ্গলিক কাৰ্য্যৰ নিমিত্তে প্ৰেতাধিপতি শ্মশানবাসী শিৱৰ নিমন্ত্ৰণ মই কেতিয়াও নকৰোঁ।

ব্ৰহ্মা।—বোপা, সতী তোমাৰ আপোনাৰ জী হয়। নিমন্ত্ৰণ নকৰিলে, চোৱাঁচোন তেওঁ মনত কিমান বেজাৰ পাব।

দক্ষ।—এই বিষয়ে মোৰ একো উপাই নাই। ইমান-বিলাক দেৱতা থাকোঁতেও তেওঁ যেতিয়া সয়ম্বৰত এনে অযোগ্য বৰ মনোনীত কৰিলে, তেওঁ নিজৰ কৰ্ম্মফল ভোগ কৰিব।

[ সতীৰ প্ৰবেশ।

দক্ষ।—তুমি কোন্? তুমি যুৱতী হৈও, দেৱতা, গন্ধৰ্ব্ব. সুৰাসুৰ অধিষ্ঠিত এই সভাস্থলীত অকলৈ আহি কিয় উপস্থিত হৈছা?

সতী।—মই দেবাদি দেৱ মহাদেৱৰ ভাৰ্য্যা।

দক্ষ।—হাঁয় তোমাৰ শৰীৰৰ এনে মলিন আভা হল, মই পিতা হৈও তোমাক চিনিব নোৱৰা হলো! শ্মশানবাসীৰ লগত পৰি, তপ্ত-কাঞ্চন জিনি, তোমাৰ সেই ৰূপ আজি কলৈ গল! তোমাৰ সেই সৌন্দৰ্য্য মৰিশালিৰ ছাই লাগি বিবৰণ পৰিল! অথবা, অজগৰৰ কালতি পৰি শৰীৰৰ কান্তি তিৰোহিত হল! নাইবা কাল ভুজঙ্গমৰ আশঙ্কাত তোমাৰ দেহ লাৱণ্য নষ্ট হল! আই তোমাক কি লাগে? কিয় আহিছা?

সতী।—মই স্বামীৰ যজ্ঞ ভাগ বিচাৰি আহিছোঁ। মোক আন একো নেলাগে।

দক্ষ।—আই, কৰ্ম্মফল সকলোৱেই ভোগ কৰিব লাগে। তাত

অসন্তোষৰ একো কাৰণ নাই। তুমি যদি পূৰ্ব্বেই এজন শ্ৰেষ্ঠ দেৱতাক পতিৰূপে বৰণ কৰিলা হেঁতেন, তেনেহলে নিশ্চয় তেওঁক আজি এই যজ্ঞস্থলীত দেখিবলৈ পালো হেঁতেন। কিন্তু তোমাৰ দুৰ্ভাগ্যক্ৰমে এজন ভিক্ষাৰী তোমাৰ স্বামী হল। যেতিয়াই ভিক্ষাৰীৰ ঘৈনী হবলৈ সম্মত হলা, তেতিয়াই তুমি নিজ ইচ্ছাৰে দেৱ সমাজৰপৰা বহিৰ্ভূত হলা। সেই মুহূৰ্ত্ততে তুমি তোমাৰ স্বামীৰ যজ্ঞ ভাগ নেলাগে বুলিলা। এতিয়া তোমাৰ মনত সম্মান আৰু পদলাভৰ আকাঙ্ক্ষা কিয় উজ্জীৱিত হল? হাঁয়, সোণৰ পুতলা হৈ আজি তোমাৰ এনে দুৰ্দ্দশা ঘটিল! দেহৰ সেই মাধুৰ্য্য, আজি কঠোৰতাৰ দ্বাৰা আচ্ছাদিত হল! নিয়তিৰ এয়েনে শাসন!!

সতী।—মোৰ গাত যদি শ্মশানৰ ছাই লাগে, বা অজগৰৰ নালতি পৰে, তেনেহলে গঙ্গাদেৱীৰ সুশীতল পুণ্যজলৰ দ্বাৰা সি বিধৌত হয়। ৰাজন্, মোৰ স্বামী নীলকণ্ঠ—হলাহল পান কৰি ত্ৰিভুবনত খ্যাতি ৰাখিলে—তেওঁৰ ভাৰ্য্যাৰ ভুজঙ্গমৰ ভয় কি! মোৰ যদি শৰীৰৰ সৌন্দৰ্য্য টুটিল, তুমি নিশ্চয় জানিবা মোৰ হৃদয়ৰ সৌন্দৰ্য্য বাঢ়িল। হৃদয় শৰীৰৰ অধিশ্বৰী। তোমাৰ হৃদয় নাই, সেই দেখি আজি তোমাৰ এই বিপ্লৱ—সেই দেখি আজি তোমাৰ পুণ্যৰহিত শিৱহীন যজ্ঞ। মই যেতিয়া শিৱক স্বামী বৰিলোঁ—তেতিয়া মই ত্ৰৈলোক্যৰ ৰাণী হলোঁ। ৰাজন্, তুমি আজি লৈকে এই সামান্য তত্ত্ব বুজিব নোৱাৰিলা।

দক্ষ।—তেনেহলে শ্মশানৰ ৰাণী কোন্? শিৱ শ্মশানৰ অধিপতি নহয় নে?

সতী।—প্ৰাণীমাত্ৰৰেই শ্মশান গন্তব্য স্থান।

Accession No. A. 271

দক্ষ।—ভঙ্গুৰা শিৱক যজ্ঞ ভাগ কেনৈ ?

সতী।—পাপমতি ৰাজন্, এই ভাং দেৱ-দুৰ্লভ মুনি-বাঞ্ছিত সচ্চিদানন্দ বস্তু। ভাং নহলে ত্ৰিভুবন পথ-ভ্ৰষ্ট হব। হে মূঢ়, নিশ্চয় জানিবা চন্দ্ৰ, সূৰ্য্য আদি গ্ৰহ বিলাকে কেৱল ভাং খাই নিজ নিজ কক্ষত ঘূৰিব লাগিছে।

দক্ষ।—যাৰ পিন্ধিবলৈ কাপোৰনাই—

সতী।—দশদিক্ বৰ্ত্তমান থাকোঁতে কাপোৰৰ অভাৱ নাই।

দক্ষ।—যাৰ খাবলৈ ভাত নাই—

সতী।—প্ৰেমামৃত থাকোঁতে আন খাদ্য কি লাগে ?

দক্ষ।—যাৰ মূৰত জটাৰ ভাৰ—

সতী।—পুণ্যতোয়া ভগৱতী গঙ্গাক ৰাখিবৰ নিমিত্তে জটাৰ সৃষ্টি।

দক্ষ।—যাৰ অলঙ্কাৰ কুৎসিৎ ভুজঙ্গম—

সতী।—দেবাগ্ৰগণ্য স্বামীৰ অলঙ্কাৰৰ আবশ্যকতা ? সৌন্দৰ্য্যৰ আকৰ সৌন্দৰ্য্যৰ হ্ৰাস-বৃদ্ধিৰ একো অৰ্থ নাই।

দক্ষ।—যাৰ বাদ্যযন্ত্ৰ লাও—টোকাৰি—

সতী।—বিশ্বব্ৰহ্মাণ্ডৰ নিয়তি বাদ্য থাকোঁতে বাদ্যৰ অভাৱ ক'ত ?

দক্ষ।—যাৰ বাহন বলদ-গৰু—

সতী।—ত্ৰিলোকগামী প্ৰেম-ৰথ থাকোঁতে তেওঁক আন বাহন কেলৈ লাগিছে ?

দক্ষ।—যাৰ মূৰত সাপৰ ফনা—

সতী।—মোৰ স্বামী কালৰ গৰাকি।

দক্ষ।—যাৰ গাত ভস্মৰ লেপ—

সতী।—ভস্ম মৃত্যু—মোৰ পতি মৃত্যুঞ্জয়।

দক্ষ।—সেই ভিক্ষাৰীয়ে যজ্ঞৰ ভাগ বিচাৰে। ছিঃ, সতী, তোমাৰ

RAI SAHIB HANUMAN BUX KANOI LIBRARY
No.........
Date.........
DIBRUGARH COLLEGE.

লাজ নেলাগে ? তুমি ক'ত তোমাৰ মুখ লুকুৱাবা, ক'ত এই বিশিষ্ট সমাজৰ মাজত নিজৰ পতিৰ বীভৎস কাহিনী উদ্‌ঘাটন কৰিছা !! তোমাৰ জীৱনত ধিক ! দুৰ্গন্ধ শবাধিষ্ঠিত বামাচাৰী তোমাৰ পতিৰ জীৱনত শতবাৰ ধিক্ ! মৰা-শ থাকোঁতে শঙ্কৰক যজ্ঞ-ভাগ কেলৈ ? সতী, তুমি উভতি গৈ ভূতনাথক, জনোৱাঁ গৈ, যে তেওঁ যদি পাঁচোওটা মুখ মোৰ চৰণ ধূলিৰে বিলুণ্ঠিত কৰি যজ্ঞ-ভাগ মাগে, তেনে হলেও মই নিৰ্লজ্জ কৌপীনধাৰীক যজ্ঞ-ভাগ নিদিওঁ ।

সতী ।—অধম, পামৰ, মোৰ পতি দেৱ শ্ৰেষ্ঠ নহয়, হানি নাই । তেওঁ কঙ্গাল, অনাচাৰী, নিকৃষ্ট জীৱ । কিন্তু তেওঁ মোৰ স্বামী হয় । অতএব, তেওঁ মোৰ পূজনীয় মহা প্ৰভু, বন্দনীয় মহাগুৰু, আৰাধনীয় মহেশ্বৰ, ৰে মহা মুৰ্খ, এই সমাজৰ মাজত তই কিয় মোৰ পতি-নিন্দা কৰিলি । হাঁয় বিধি, মোৰ আগত মোৰ প্ৰাণেশ্বৰৰ নিন্দাবাদ । উস্, এনে কুৎসাবাহিনী প্ৰাণে নসহে— হৃদয় শতধা বিদীৰ্ণ হল । প্ৰাণপতি, হৃদয়-বল্লভ, অনাথিনীয়ে আজি তোমাৰ চৰণত চিৰ-অপৰাধ কৰিবলৈ ওলালো !

গীত ।—ৰাগিণী ভৈৰবী—তাল আড়া ঠেকা ।

হিয়া ফাটি-চিটি যায় ।
নসহে পৰাণে আৰু পতি-নিন্দা হাঁয় ।
হে প্ৰভু পৰিল ওৰ, জীৱনৰ লীলা মোৰ,
অন্তকালে দয়াময় দিয়াঁ পদ-ঠাই,
( মোক ) নিদিবা পেলাই ॥

[ সতীৰ পতন আৰু দেহত্যাগ ।

চাৰিও পিনে হাহাকাৰ। দক্ষ ৰাজাৰ স্তম্ভন।

ব্ৰহ্মা।—এই সভাত আৰু দেৱতা সকল থকা উচিত নহয়।

[ দেৱ-সমাজৰ প্ৰস্থান।

---

## ২য় দৰ্শন—কৈলাসপুৰী।

( শিৱ, নন্দী, ভৃঙ্গী উপবিষ্ট। নাৰদৰ প্ৰবেশ। )

নাৰদ—( অধীৰ হৈ ) প্ৰভু, প্ৰভু,—

শিৱ।—ঋষিৰাজ, কি হল, বেগতে কোৱাঁ। মোৰ সতীৰ কিবা অনৰ্থ মিলিল নে কি ?

নাৰদ।—প্ৰভু, কবলৈ মুখৰ কথা নোলায়। যজ্ঞস্থলীত ভয়ঙ্কৰ প্ৰলয় উপস্থিত হল।

শিৱ।—দেবৰ্ষি কোৱাঁ মোৰ সতীৰ মঙ্গল নে ?

নাৰদ।—হে ভূত—ভাবন্—হাঁয়, হাঁয়, যি আশঙ্কা কৰিছিলোঁ, সেয়ে ঘটি উঠিল !

শিৱ।—বীণাপাণি, মোৰ সতী কত ?

নাৰদ।—হে নাথ, সতী আৰু ইহলোকত নাই !

[ শিৱৰ মূৰ্চ্ছা।

নাৰদ।—প্ৰভু, আশ্বস্ত হওক। আপোনাৰ এনে অধৈৰ্য্য শোভা নেপায়।

[ শিৱৰ উত্থান।

শিৱ।—ঋষিবৰ, সচাঁকৈ মোৰ সতী আৰু ই-পুৰীত নাই নে কি ? মোক আমূল বৃত্তান্ত ভাঙ্গি কোৱাঁ। ঋষি-পুঙ্গব, মোক কিয় এই বাতৰি দিলা হি।

নাৰদ।—হে বিশ্বম্ভৰ, দক্ষৰাজে সভাৰ মাজত আপোনাক অশেষ প্ৰকাৰে ভৰ্ৎসনা কৰিলে। পতিব্ৰতা তিৰোতাৰ স্বামী-ধনৰ তুলনাত

নিজৰ প্ৰাণ তৃণত্‌কৈও তুচ্ছ। সতীয়ে নিন্দাবাদ সহিব নোৱাৰি ধৰাশায়িনী হৈ প্ৰাণত্যাগ কৰিলে।

শিৱ।—তেনেহলে সচাঁসচিকৈ মোৰ সতী নাইকিয়া হল !! ( অলপ মৌন হৈ থাকি, ভয়ঙ্কৰ ক্ৰোধপৰবশ হৈ ) কি, মোৰ অপমান! মোৰ সতীৰ দেহত্যাগ !! ত্ৰিভুবনত কোনে মোৰ অপমান কৰিব পাৰে? এই ব্ৰহ্মাণ্ডত কোনে মোৰ সতীৰ মৰ্ম্মত আঘাত কৰিব পাৰে? মোৰ এই ভীমদন্তী ত্ৰিশূলৰ কোনে পৰাক্ৰম নেজানে? সতীৰ অতুল সতীত্বৰ তেজ কাৰ অবিদিত? আজি স্বৰ্গ মৰ্ত্ত্য পাতাল ধ্বংস পাব—চৰাচৰ জগৎ ভস্মীভূত হব !!

[ শিৱৰ জটাৰপৰা অকস্মাৎ একজন ভীষণ পুৰুষৰ উৎপত্তি।

পুৰুষ।—( প্ৰণাম কৰি সদৰ্পে ) প্ৰভু, কি কৰিব লাগে, এই দাসক আজ্ঞা কৰক। তুৰন্তে আপোনাৰ আদেশ প্ৰতিপালন কৰিম। আপোনাৰ কৃপাবলত এই দাসৰ অসাধ্য ত্ৰিভুবনত একোৱেই নাই। অনুমতি কৰক, পাতালৰপৰা সহস্ৰ ফণাধিপতি বান্ধি আনি শ্ৰীচৰণত নিবেদন কৰোঁ—অভিলষিত জ্ঞাপন কৰক, দশ দিগ্‌পালক চোচোৰাই আনি এই ঠাইত পেলাই দিওঁহি—ইচ্ছা প্ৰকাশ কৰক, প্ৰচণ্ড পৰাক্ৰমী দেব-বিৰোধী দৈত্যৰাজক চুলিত ধৰি আনি আপোনাৰ আগত উপস্থিত কৰোঁহি। আপোনাৰ ইঙ্গিতত, স্বৰ্গ-লোক খণ্ড-বিখণ্ড, মৰ্ত্ত্যধাম ভস্মীভূত আৰু পাতালপুৰী শ্মশানবৎ কৰিব পাৰোঁ। আৱশ্যক হলে, গৰুড়-পক্ষীৰ পাখি কাটিম, ঐৰাৱতৰ দাত উঘালিম, শেষ নাগৰ ফণা ছিঙ্গিম। শ্ৰীচৰণৰ আশীৰ্ব্বাদত মই কৰিব নোৱৰা কাম একো নাই। মই গ্ৰহ বৰ্গক কক্ষভ্ৰষ্ট কৰিব পাৰোঁ। মোৰ প্ৰভাৱত পশ্চিমত সূৰ্য্যোদয় হব, অমাবাস্যা ৰাতি পূৰ্ণ

জ্ঞানৰ প্ৰকাশ হব। হে বিশ্বনিয়ামক, আপোনাৰ আজ্ঞাত এই বিশ্ব ব্ৰহ্মাণ্ড চলিব লাগিছে। আপুনি যি আজ্ঞা কৰে, দাসে অবিলম্বে কৰিবলৈ সাজু হৈ আছোঁ। মোৰ মানত, মৈনাক পৰ্ব্বত তূলাৰ দৰে পাতল, বাড়বাগ্নি অগুৰু চন্দনৰ নিচিনা স্নিগ্ধ কাৰক। উনপঞ্চাছ বায়ুক আকৰ্ষণ কৰি ধৰি থাকিব পাৰোঁ, সুমেৰুৰ শৃঙ্গ নখেৰেই বিদাৰণ কৰিব পাৰোঁ। মই বাসুকীৰ শিৰোমণি বিচ্ছিন্ন কৰিব পাৰোঁ—মেঘৰ তীব্ৰ গৰ্জ্জন অৱহেলা কৰি মেঘজায়া বিজুলীক হৰণ কৰি আনিব পাৰোঁ—সুৰভিৰ বৎস কাঢ়ি আনিব পাৰোঁ। আপোনাৰ অনুমতি হলে সহস্ৰ লোচনৰ নন্দন কানন জাত পাৰিজাত অপহৰণ কৰিব পাৰোঁ—যক্ষপতি কুবেৰৰ ধনাগাৰ লুটিব পাৰোঁ। হে জগদীশ্বৰ, শীঘ্ৰে দাসক আজ্ঞা প্ৰদান কৰক। আপোনাৰ আজ্ঞা পালনৰ নিমিত্তে মোৰ শৰীৰ মন উৎকণ্ঠিত হৈছে।

শিৱ।—বীৰভদ্ৰ, তুমি এতিয়াই যোৱাঁ, দক্ষ ৰজাৰ যজ্ঞ ভঙ্গ কৰাঁ গৈ।

[ নাৰদৰ বেগেৰে প্ৰস্থান।

পাপিষ্ঠ দক্ষই মোৰ নিন্দাবাদ কৰাত, সতীয়ে সহিব নোৱাৰি প্ৰাণত্যাগ কৰিলে। দুৰাচাৰ দক্ষই আজি মোৰ সতীক মোৰ বুকুৰপৰা কাঢ়ি নিলে। বীৰভদ্ৰ, তুমি গৈ অধম দক্ষৰ মুণ্ডচ্ছেদ কৰিবা—যজ্ঞ লণ্ড-ভণ্ড কৰিবা—দেৱতা আৰু ঋষি সকলক বন্দী কৰি আনিবা—সভাসদ্ সকলক ভস্মীভূত কৰিবা—যজ্ঞলৈ অহা আন আন প্ৰজা বিলাকক লঘু লাঞ্ছনা কৰি খেদাই দিবা—যজ্ঞৰ সম্ভাৰ দলিয়াই পেলাবা—হোমকুণ্ড নষ্ট কৰিবা। ভূত প্ৰেত আদি মোৰ অনুচৰ বিলাকক লগত লৈ যোৱাঁ।

বীৰভদ্ৰ।—প্ৰভূৰ আজ্ঞা শিৰোধাৰ্য্য।

[ বীৰভদ্ৰৰ প্ৰস্থান।

নন্দী।—প্ৰভূ এতিয়া ভিতৰলৈ আহক—অলপ আশ্বস্ত হওক হি।

শিৱ।—বাৰু বৈয়া। নন্দী আৰু কি মই আশ্বস্ত হম !!

[ প্ৰস্থান।

---

## তৃতীয় দৰ্শন।—দক্ষ ৰাজাৰ যজ্ঞস্থলী।

( দক্ষ, মন্ত্ৰী, ঋষি সকল সভাসদ্বৰ্গ আসীন। )

কোবেৰে নাৰদৰ প্ৰবেশ।

নাৰদ।—আজি প্ৰলয় সংঘটন হব। সতী বিয়োগত মহাদেৱে অগ্নিমূৰ্ত্তি ধাৰণ কৰিছে। বিশ্বেশ্বৰৰ আদেশত এজন ভয়ঙ্কৰ অসীম পৰাক্ৰমশালী পুৰুষৰ আবিৰ্ভাৱ হৈছে। তেওঁ অবিলম্বে আহি এতিয়াই দক্ষ-যজ্ঞ নষ্ট কৰি বিপৰ্য্যয় ঘটাব। সাৱধান ! সাৱধান !!

[ নাৰদৰ প্ৰস্থান।

হেৰা থৰি থাই ঋষি
সকলৰ পলায়ন। প্ৰজাবৰ্গই !
পিঁয়া পি দি ভাগিবলৈ ধৰে।

দক্ষ।—মন্ত্ৰীবৰ, বুদ্ধি দিয়ঁ।

মন্ত্ৰী।—ৰাজন, আপোনাৰ পলায়ন হাস্যাস্পদ হব। কল্যাণকৰ মহাযজ্ঞ এৰি যোৱা আপোনাৰ নিতান্ত অবিধেয়। কালবিলম্ব নকৰি দূত পঠিয়াই আপোনাৰ বীৰ চূড়ামণি সেনানীক আদেশ কৰোক, বিশাল ৰাজ্যৰ সমুদায় সৈন্যবৰ্গ আহ্বান কৰি যজ্ঞ-স্থলীত যুদ্ধ সাজেৰে সাজু হৈ থাকক হি।

দক্ষ।—উত্তম বুদ্ধি। দূত—

[ দূতৰ প্ৰবেশ।

তুমন্তে যোৱাঁ, নৰবা, আৰু অলপো বেলি নকৰিবা—

[ দূতৰ গমনোদ্যোগ।

ৰবা, ৰাতৰি শুনি লোৱাঁ। সেনাপতিক জনোৱাঁগৈ, যেন চকুৰ পচাৰতে, যত যিমান সৈন্য পায়, গোটাই লৈ যজ্ঞস্থলী ৰক্ষা কৰে হি। অসুৰ স্বভাব শৰুৰ আমাৰ বিৰোধাচৰণ কৰিবলৈ এতিয়াই এই ঠাই পাব হি। যোৱাঁ যোৱাঁ, প্ৰাণকাতৰে নৰ দিয়াঁ—

( দূত লৰি গৈ পুনৰ উভতি আহি। )

দূত।—মহাৰাজাৰ আজ্ঞা শিৰোধাৰ্য্য।

দূতৰ প্ৰস্থান।

দক্ষ।—ক'তা, সেনাপতি এতিয়াও নাহিল। মোৰ প্ৰাণ থৌকিবাথৌ কৰিছে।

[ সৈন্য সামন্ত লৈ যুদ্ধৰ সাজেৰে যজ্ঞভূমিত সেনাপতিৰ প্ৰবেশ। ]

সেনাপতি, যজ্ঞভূমি চাৰিও পোমৰ পৰা সৈন্য-সামন্তৰ দ্বাৰা দৃঢ়ভাৱে পৰিৰক্ষিত হওঁক। অলপো শৈথিল্য প্ৰকাশ নকৰিবা।

সেনাপতি।—মহাৰাজাৰ আদেশ আৰু ক্ষত্ৰিয়ৰ ধৰ্ম্ম! হে ৰাজন্, আপুনি অলপো শঙ্কা নকৰিব। আমাৰ এই সুশিক্ষিত সৈন্যৰ তেজোময় অস্ত্ৰৰ আঘাতত শিৱৰ অনুচৰ বৰ্গৰ জাঠি জোং ছুমামৰ হৈ উৰি যাব—আমাৰ এই সৈন্য শ্ৰেণীৰ সাগৰৰ কল্লোলৰ নিচিনা অভ্ৰভেদী কোলাহলত ভূত প্ৰেতৰ চিৎকাৰ নিমজ্জিত হব।

দক্ষ।—প্ৰিয়বৰ, তোমাৰ বীৰত্বৰ তুলনা নাই। হে প্ৰজাবৰ্গ, তোমালোক থিৰ হোৱাঁ। এতিয়া আমাৰ ভয়ৰ কাৰণ অন্তৰ্হিত হল।

সৈন্যৰ গীত।

ধৰ সবে ধৰ, অসি তুলি ধৰ,
আজি ৰণ হব ঘোৰতৰ।
কৰি নানা কল, কল-কল-কল,
বাণ বৰিষণ কৰ॥
কি ভয় কি ভয়, হব শত্ৰু ক্ষয়,
পুণ্যভূমি ৰেখি ধৰ।
জয়গীত গাই, নিছান উড়াই,
আনন্দ হুঙ্কাৰ কৰ॥

( নেপথ্যত বিকট চিৎকাৰ। )

সেনাপতি।—ব্ৰহ্মাণ্ড ভ্ৰষ্ট হল নে কি? এনে ভয়ঙ্কৰ ৰব আগেয়ে তো শুনা নাই। পলা, পলা, যি যেনেকৈ পাৰ, নিজৰ প্ৰাণ ৰক্ষা কৰ।

[ ভূত, প্ৰেত, পিশাচসহ বীৰভদ্ৰৰ প্ৰবেশ। ]

সেনাপতিৰ উৰ্দ্ধশ্বাসে পলায়ন, আৰু সৈন্য ভঙ্গ।
বীৰভদ্ৰ আৰু অনুচৰবৰ্গৰ হাতত সৈন্যৰ
লণ্ড-ভণ্ড, যজ্ঞসম্ভাৰ ধ্বংস আৰু
বিবিধ অত্যাচাৰ।

ভূত।—কেহেং খেতেতাক্ খ্ৰিক্।
প্ৰেতে।—ঝেবেবাং ভাদিৰি ঞ্ৰন্।

পিশাঁচ।—খিৰ খিতি ঘেদিৰি ধুম্ দাও, চেমানিতি চিচিপাৎ, চেমানিতি চিচিপাতৎ, হাম্বুৰি ভান্ দাও খিন্।

ভূত।—পিশাঁচ ভাই, মই এইজন বুঢ়া আপৰ দাড়ি উৰালি পেলাওঁ, চা।

[ দাড়ি উঘালে।

বুঢ়া।—মোৰ সোণামুৱা বোপা, মোক এৰি দিয়া।

ভূত।—তই জানো আমাৰ লগ লবি।

বুঢ়া।—লম চোৱাঁচোন, মই তোমাৰ দদায়েৰাৰ লগৰ বুঢ়া নহওঁ নে।

ভূত।—দদাই, আহাঁ, তেনেহলে আমি দিঙ্গিত ধৰা ধৰিকৈ নাচোঁ।

[ দুয়ো সেই দৰে নাচে।

পিশাঁচ।—ভূত ককাই, মই এই সভাসদ জনৰ টপা মূৰত টকৰিয়াই দিওঁ, চাবা দেই।

[ সেই দৰে টকৰিয়ায়।

চোৱাঁচোন, কেনেকৈ ঠনৰ ঠনৰ কৰে ফুটিছে।

সভাসদ্ —হে দেউতাটি, এৰি দিয়া, মোৰ তালু ফুটি তেজ ওলাল।

পিশাঁচ।—তোক এৰি দিলে জানো তই মোক বোকোচাত লৈ ফুৰাবি।

সভাসদ্।—ফুৰাম।

[ পিশাঁচে জাপ মাৰি বোকোচাত উঠে।

প্ৰেত।—(মন্ত্ৰীক ধৰি) তই এইখন মুখেৰেই মোৰ প্ৰভুৰ নিন্দা কৰিবলৈ মন্ত্ৰণা দিছিলি।

[ মন্ত্ৰীৰ মুখ মাটিত ঠেকেছে।

মন্ত্ৰী।—হাঁয় বিধি! মন্ত্ৰীত্বৰ এয়ে নে পুৰস্কাৰ।

(প্ৰেতক সম্বোধন কৰি) প্ৰভু, আজিৰপৰা মই আপোনাৰ মন্ত্ৰীত্ব কৰিম, মোক এৰি দিয়ক। হে ৰাজন, দাসক কি আজ্ঞা দিয়ে দিয়ক। এই মুহূৰ্ত্ততে তাক প্ৰতিপালন কৰিম।

প্রেত।—মন্ত্রীবৰ, মোৰ গোটেই গাত টোবোৰা টোবোৰ খহু। কি কৰিলে ভাল হব, কোৱাঁচোন।

মন্ত্রী।—হে দেৱ, আপুনি নখেৰে আঁকুহি-বাঁকুহি খহুৰ মুখৰ চোকোৰা বিলাক গুচাই পেলক। মই ক্রিয়া কৰিম—এতিয়াই ভাল হব।

( প্রেতে সেই মতে কার্য্য কৰে। )

মন্ত্রীয়ে ওচৰতে পৰিথকা এটা লোণৰ মলাত পানী ঢালি প্রেতৰ গাত হুৰ্ হুৰ্ কৰে ঢালি দিয়ে।

প্রেত।—( জাপ মাৰি ) মৰিলোঁ ঔ! চেক্ চেকনিত প্রাণ যায়!!

[ উৰ্দ্ধশ্বাসে লৰ আৰু সুযোগ বুজি মন্ত্রীৰ পলায়ন।

বীৰভদ্র।—যজ্ঞস্থলী ধ্বংস হল। এতিয়া পাপাত্মা দক্ষৰ মুৰটো মোহাৰি ছিঙ্গি পেলাওঁ। ৰে অধম দক্ষ! তোৰ কর্ম্মফল ভোগ কৰ্।

[ দক্ষৰ মূৰ ছিঙ্গে।

ভূত, প্রেত, পিশাচ।—প্রভু, এই দুৰাত্মাৰ মূৰটো যজ্ঞ-কুণ্ডত পেলাই ভস্ম কৰি পেলাওঁ, দিয়ক।

] আটাই বিলাকে ধৰাধৰি কৈ মূৰটো নি যজ্ঞ কুণ্ডত ভস্মীভূৎ কৰে।

আহ ভাই, ইয়াত ভাৰে ভাৰে ঘিঁউ পেলাই ছিল? চেলেকি চেলেকি খাওঁ ইঁক।

[ যজ্ঞ কুণ্ড চেলেকে। কাৰো মুখ ছাইমুৱা হয়, কাৰোবা আধা পোৰা হয়। সকলোৰে চিঞৰ-বাথৰ।

আহ ভাই, আটাই বিলাকে গোট খাই এই কুণ্ডতে লালতি পেলালে মুখৰ পোৰণি ভাল হব।

[ সেইদৰে কৰে আৰু কুণ্ডৰ অগ্নি ভস্মীভূৎ হয়।

এতিয়া আটাই বিলাকে নাচ্ কৰোঁ আহ্।

[ অনুচৰ বৰ্গৰ বীভৎস নৃত্য।

বীৰভদ্ৰ।—আমাৰ কাৰ্য্য শেষ হল। আহ্ এতিয়া মহা সতীৰ চৰণ ভূখনিত শেষ বাৰৰ নিমিত্তে এবাৰ প্ৰণিপাত কৰি জীৱন ধন্য কৰোঁ।

[ সকলোৰে প্ৰস্থান।

---

# ষষ্ঠ অঙ্ক।

## ১ম দৰ্শন।—কৈলাসপুৰী।

( শিৱ, নন্দী, ভৃঙ্গী উপবিষ্ট। )

শিৱ।—মোৰ প্ৰাণ কেনেকৈ আশ্বস্ত হব। মোৰ সান্ত্বনা—দেবী আৰু ইহলোকত নাই। নন্দী, মোৰ হৃদয় অথিৰ হৈছে।

নন্দী।—প্ৰভু চৰাচৰ জগৎ নিয়তিৰ দাস।

ভৃঙ্গী।—দেৱ, আপোনাৰ শত্ৰুৰ অচিৰেই সমুচিত দণ্ড হব। বীৰভদ্ৰৰ হাতত নিমেষতে দক্ষ ৰজাৰ মুণ্ডচ্ছেদ হব। যি মুখে পৰমাৰাধ্যা দেবীৰ মৰ্ম্মাঘাত কৰিছিল, সেই পাপ—মুখ নিশ্চয় ভস্মীভূৎ হব।

শিৱ।—ভৃঙ্গী, বলা মোৰ মৰমৰ সতীৰ মুখখানি এবাৰ চাই লওঁ গৈ। হাঁয় সতী, আগৈয়ে নেজানিলোঁ, তোমাৰ পিতাৰাঁই এনে দুৰ্ঘটনা মিলাব। জনা হলে মই কিয় তোমাক যজ্ঞলৈ যাবৰ নিমিত্তে অনুমতি দিম। পাপমতি দক্ষই শিৱহীন সহস্ৰ যজ্ঞ কৰক, মোৰ তাত ভ্ৰূক্ষেপ নাই। কিন্তু সতী, শ্মশানবাসী শিৱৰ তুমি একমাত্ৰ সহায় আছিলা, তুমি কিয় যজ্ঞলৈ গৈ আজি মোক নিৰালম্ব কৰিলা। আহঁা নন্দী, তোমাৰ মাতৃদেবীৰ চৰণ দুখনিত শেষ বাৰৰ নিমিত্তে এবাৰ প্ৰণিপাত কৰি লোৱাঁ হি।

[ সকলোৰে প্ৰস্থান।

## ২য় দৰ্শন ।—যজ্ঞস্থলী ।

( সতীৰ মৃতদেহ পৰি আছে—ওচৰত বীৰভদ্ৰ, ভূত প্ৰেত,
পিশাচ আদি উপবিষ্ট । )

নন্দী ভৃঙ্গী সহ শিৱৰ প্ৰবেশ ।

বীৰভদ্ৰ ।—( প্ৰণিপাত কৰি ) প্ৰভু, আপোনাৰ আদেশ প্ৰতিপালন কৰা হল। নাৰকী দক্ষৰ মুৰ মোচোৰা মাৰি ছিঙ্গি, পেলালোঁ। পাপ-জড়িত যজ্ঞ ধ্বংস কৰা হল। প্ৰজাবৰ্গ ভঙ্গ দিল! আৰু অশেষ প্ৰকাৰে কাৰ্য্যৰ দ্বাৰা দুৰাচাৰ দক্ষ কৃত হিংসাৰ প্ৰতিশোধ লোৱা হল।

শিৱ ।—বীৰভদ্ৰ, সতী ক'ত আছে ?

বীৰভদ্ৰ ।—দেৱ, সৌৱা—চাৰিও পিনে আমাৰ অনুচৰ বৰ্গৰ দ্বাৰা সুৰক্ষিত হৈ আছে। আমি সকলোটিয়ে গোট খাই মাতৃদেবীৰ চৰণ ধ্যান কৰি প্ৰভুৰ আদেশৰ প্ৰতীক্ষা কৰি আছোঁ।

শিৱ ।—( সতীৰ মৃত দেহ দেখি )

তপ্তকাঞ্চনাভং প্ৰজ্বলিতবক্ত্ৰং
চঞ্চলে চায়তে কুৰঙ্গ চক্ষুষী।
দীৰ্ঘকেশপাশং ক্ষীণদেহযষ্ঠিং
দৃষ্ট্বা সন্দহ্যতে সতি মেহন্তৰাত্মা ॥

( আঁঠু কাঢ়ি )

ত্বমেবালম্বনং বহুভাবসহং
ত্বমেৱ শান্তিঃ সন্তাপহাৰিণী।
ত্বমেৱ চন্দ্ৰিকা দিগন্তভাসিনী
বিহায় ভূতেশং মা ব্ৰজ বল্লভা ॥

[ সতীৰ মৃতদেহ কান্ধত লৈ প্ৰস্থান ।
বীৰভদ্ৰ আৰু অনুচৰ বৰ্গৰ অনুসৰণ ।

৩য় দর্শন।—যজ্ঞস্থলীৰ আন ঠাঁই।

(সতীৰ দেহ কান্ধত লৈ শিৱৰ প্ৰবেশ।)

পঞ্চ প্ৰাণ মোৰ,        বুদ্ধি বৃত্তি বোৰ,
নিশ্চল, স্তম্ভিত মতি।
শৰীৰৰ বস,        সমূলি অবশ,
এৰিলে নিজৰ গতি॥
আজি মোৰ হিয়া        যেন নাইকিয়া,
কোনে তাক কাঢ়ি নিলে।
শৰীৰত মোৰ,        এন্ধাৰ ঘূৰ্ঘোৰ,
কোনে আজি থাপি দিলে।
বুজিলোঁ নিশ্চয়,        এতিয়া হে মই
প্ৰকৃততে দুৰ্ভগীয়া—
এতিয়া হে মই,        হলোঁ সঁচা কই,
ভীক্ষাৰী আৰু বলিয়া
চোৱাঁ জটা ভাৰ,        সৰ্প অলঙ্কাৰ,
চোৱাঁ দিগম্বৰ মই।
চোৱাঁ ভষ্ম ধূলি,        কেনেকৈ সমূলি
দেহাখনি ঢাকি থয়॥
শ্মশান ক্ষেত্ৰত,        মৰাৰ মাজত,
নাচি নাচি ফুৰোঁ মই।
অনুচৰ মোৰ,        ভূত প্ৰেত বোৰ,
কুৎসিৎ দুৰ্গন্ধময়॥

[ শিৱৰ প্ৰস্থান আৰু তদ্দণ্ডে বীৰভদ্ৰ ও অনুচৰবৰ্গ ৰঙ্গমঞ্চ পাৰ হ

No.............
Date.............
...SAHI... KANOI LIBRARY ...GARH COLLEGE.

৪র্থ দর্শন।—যজ্ঞস্থলীৰ আন ঠাই।

( দক্ষৰ মৃতদেহ। প্ৰসূতি উপবিষ্ট। )

প্ৰসূতি।—ৰাগিনী ভৈৰৱী মিশ্ৰিত—তাল আড়াঠেকা।

হে বিধাতা, কপালত এইনে লিখন মোৰ।
সহিম দুৰ্ব্বল প্ৰাণে কিমান যাতনা ঘোৰ॥
মৰমৰ সতী হাঁয়,
ই লোকত আৰু নাই ;
মৰ্ম্মত আঘাত লাগি, মুমাল জীৱন মোৰ॥
কোনে নো এনে কৰিলে—
স্বামীক দুৰ্ব্বুদ্ধি দিলে ;
প্ৰণয়িনী পৰিহাৰি প্ৰাণৰ পৰিল ওৰ
মৰে কন্যা, মৰে পতি,
আজি মোৰ এনে গতি ;
বজ্ৰৰ সমান বিধি, নিদাৰুণ হিয়া তোৰ॥

[ সতীৰ দেহ শূন্য শিৱৰ প্ৰবেশ।
বীৰভদ্ৰ আৰু অনুচৰবৰ্গৰ অনুসৰণ।

শিৱ।—(কান্ধত সতীক নেদেখি, ক্ৰোধান্বিত হৈ) কি, মোৰ সতী নাই! কোন্ আত্মঘাতীয়ে মোৰ সতীক অপহৰণ কৰিলে। আজি তাৰ ৰক্ষা নাই। এই মুহূৰ্ত্ততে বিশ্ব-প্ৰপঞ্চ সঙ্কুচিত কৰিম। বিশ্ব সৃষ্টি পুনৰাবৃত্ত হৈ সূক্ষ্ম কাৰণত বিলীন হব।

( আকাশী বাণী )

হে দেবাদিদেৱ, ক্ৰোধ সম্বৰণ কৰক। প্ৰভু, নিজৰ সৃষ্টি নিজে ধ্বংস নকৰিব। সতীক কান্ধত লৈ ফুৰিলে সৃষ্টিৰ বিষয়ে আপোনাৰ একান্ত বিস্মৰণ হব, ইয়াকে ভাবি স্বয়ং বিষ্ণু আহি সুদৰ্শন চক্ৰৰ দ্বাৰা সতীদেহ

তিনি ভাগত বিভক্ত কৰি তিন ঠাইত পেলালে। যত যত সতী দেহ পৰিল, জীৱ তৰিবৰ নিমিত্তে বক্র পীঠ, কাম পীঠ আৰু সৌমাৰ পীঠ আয়েৰে ভূলোকত তিনটি তীৰ্থস্থান হব সতী স্বয়ং আদ্যাশক্তি। তেওঁৰ মৰণ কেৱল লীলামাত্র। তেওঁ গিৰিৰাজ-পত্নী মেনকাৰ গৰ্ভত জাত হৈছে গৈ। আপুনি আপোনাৰ সতীক পুনৰ্ লাভ কৰিব।

[ শিৱই প্ৰসন্ন ভাৱ ধাৰণ কৰে।

শিৱ।—আঁহা, কি সুসম্বাদ, মোৰ সতীক মই পুনৰ্ লাভ কৰিম। হে কাল, শীঘ্ৰে, অতি শীঘ্ৰে, তুমি তোমাৰ চক্ৰ পৰিচালন কৰা!

প্ৰসূতি।—হে ত্ৰিপুৰাৰি, মোৰ পতিৰ অজ্ঞানকৃত দোষ ক্ষমা কৰা। এনেই কন্যা শোকত প্ৰাণ বিদগ্ধ হৈ আছে, তাতে পতি-বিয়োগ ঘটিল! হে ভাবজ্ঞ, অভাগিনীয়ে কেনেকৈ এনে যন্ত্ৰণা সহ্য কৰিম।

ৰাগিণী খাম্বাজ মিশ্ৰিত—তাল কাওৱালী।

নিজ গুণে তুমি, হই সুপ্ৰসন্ন,
হিয়াৰ অগনি নুমোৱা শিৱ।
কৰুণা বিতৰি, অজ্ঞান পতিৰ,
দিয়াঁ প্ৰাণ-দান, জগত জীৱ॥
বল-শক্তি-হীন, হৃদয়ত মোৰ,
দিলাহে ইমান যাতনা কিয়?
কাঢ়ি নিলা কিয়, ওহে সদাশিৱ,
অকালে স্বামীক জীৱন-প্ৰিয়॥

শিৱ।—আই, আৰু নেকান্দিব—আশ্বস্তা হওক। আপোনাৰ পতিৰ মই জীৱন দান দিম।

( বীৰভদ্ৰলৈ চাই ) বীৰভদ্ৰ, দক্ষৰাজাৰ মূৰ কি হল?

বীৰভদ্ৰ।—প্ৰভু, হোমকুণ্ডত পেলাই ভস্ম কৰা হল।

শিৱ।—তেনে হলে কোনো জন্তু এটিৰ মূৰ আনি দক্ষৰাজাৰ স্কন্ধত সংযোজন কৰি দিয়াঁ।

[ বীৰভদ্ৰে এটি ছাগমুণ্ড আনি দিঙ্গিত জোৰা দিয়ে।

বীৰভদ্ৰ।—( মনে মনে ) ত্ৰিদিব-যজ্ঞত নীচাসনত বহা বাবে যাৰ অপমান জ্ঞান হৈছিল, আজি সেই ৰাজাৰ এনে জঘন্য অবস্থান্তৰ ঘটিল। পাপীৰ যথোচিত পুৰস্কাৰ হল।

দক্ষ।—মই দুষ্কৰ্ম্মৰ ফল ভোগ কৰিলোঁ। হে বিশ্বনাথ, অজ্ঞানকৃত দোষ ক্ষমা কৰিবা। দুষ্প্ৰবৃত্তি বলবতী থাকিলে, যেতিয়ালৈকে বস্তুতঃ বিপদ উপস্থিত নহয়, তেতিয়ালৈকে, সহস্ৰ উপদেশ কাণত ঢালিলেও, মনত সেই দুৰ্ঘটনাৰ সম্যক ধাৰণা নহয়।

শিৱ।—হে ৰাজন্, মোৰ চিত্ত প্ৰসন্ন হল। তুমি একো চিন্তা নকৰিবা। স্বধৰ্ম্মত অধিষ্ঠিত হৈ আনন্দেৰে ৰাজ্য পালন কৰাঁ। বীৰভদ্ৰ, আহাঁ আমি এতিয়া কৈলাস পুৰীলৈ যাওঁ।

[ শিৱ, বীৰভদ্ৰ আৰু অনুচৰবৰ্গৰ প্ৰস্থান।

প্ৰসূতি।—অশেষ প্ৰকাৰ হুলস্থূল হোৱাত আপুনি একান্ত পৰিশ্ৰান্ত হল। প্ৰাণনাথ, অন্তঃপুৰলৈ আহি অলপ বিশ্ৰাম কৰকহি, আহক।

[ দুইৰো প্ৰস্থান।

---

## ৫ম দৰ্শন। পূজা মণ্ডপ।

দক্ষৰ ষোড়শোপচাৰ শিৱ পূজা।

দক্ষ।—নমস্তভ্যং বিৰূপাক্ষ নমস্তে দিব্যচক্ষুষে।
নমঃ পিনাক হস্তায় বজ্ৰহস্তায় বৈ নমঃ।

নমস্ত্রিশূলহস্তায় দণ্ডপাশাসিপালয়ে।
নমস্ত্রৈলোক্যনাথায় ভূতানাং পতয়ে নমঃ।
বানেশ্বরায় নরকার্ণবতারণায়, জ্ঞান প্রদায় করুণাময় সাগরায়।
কর্পূর কুন্দধবলেন্দুজটাধরায়, দারিদ্র্যদুঃখদহনায় নমঃ শিবায়
নমঃ শিবায় শান্তায় কারণত্রয়হেতবে।
নিবেদয়ামি চাত্মানং ত্বং গতিঃ পরমেশ্বর॥

( দিব্য জ্যোতির আবির্ভাব। )

---

যবনিকা পতন।